সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ১৬ সংখ্যা, ৩ বহাগ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪
RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 16 * Date Of Publication - 17 April 2022 Rs.10.00/-

## সমূহ অসমবাসী ৰাইজলৈ ৰঙিলী বাৰ্ত্তাৰ পৰিয়ালবৰ্গৰ ফালৰ পৰা অসমীয়া নৱবৰ্ষৰ লগতে ৰঙালী বিহুৰ আন্তৰিক হিয়াভৰা শুভেচ্ছা জনালোঁ

## হেকাৰৰ কবলত অইল ইণ্ডিয়া লিমিটেডৰ সমগ্ৰ অনলাইন ব্যৱস্থা




ৰঙিলী বাৰ্ত্তাসেৱা- হেকাৰৰ কবলত পৰিছে অইল ইণ্ডিয়া লিমিটেডৰ সমগ্ৰ অনলাইন ব্যৱস্থা। অইলৰ অনলাইন ব্যবস্থা তাৰফলত বিকল হৈ পৰিছে। এনে পৰিস্থিতিত ৰাজহুৱা প্ৰতিষ্ঠানটোৰ ছাৰ্ভাৰসমূহ বিকল হোৱাত সম্পূৰ্ণৰূপে স্তব্ধ হৈ পৰিছে প্ৰতিষ্ঠানটোৰ আন্তঃবিভাগৰ সমগ্ৰ কাম-কাজ। ভাইৰাছৰ কবলত পৰা অনলাইন ব্যৱস্থাটো বিকল হোৱাৰ ফলত বন্ধ হৈ গৈছে কাৰ্যালয়ৰ গুৰুত্বপূৰ্ণ বিভাগীয় ডাটা আদান-প্ৰদান ব্যৱস্থাটো। এনে পৰিস্থিতিত কাৰ্যতঃ এতিয়া অইলৰ ভিতৰচ'ৰাত এক হাহাকাৰ পৰিস্থিতি। অইলৰ সূত্ৰই জনোৱা মতে, ১০ এপ্ৰিলৰ পুৱাৰে পৰা অইল ইণ্ডিয়াৰ নেটৱৰ্কৰ ক্ষেত্ৰত বিসংগতি দেখা দিছিল ।আবেলি ২.৩০ বজাত অইলৰ নেটৱৰ্ক হেক হোৱা সম্পৰ্কত কৰ্তৃপক্ষ নিশ্চিত হয়। এক বিশেষ সূত্ৰই জনোৱা মতে,

( পাঁচ পৃষ্ঠাত চাওক)

### সম্পাদকীয়ঃ




চাওঁতে চাওঁতে দেখোন আমাৰ অতি মৰমৰ তথা আদৰ আৰু চেনেহৰ ৰঙালী বিহুটি আহিয়েই পালেহি। এই বাপোতি সাহোন বিহুটিৰ ৰং - ৰহইচবোৰ যেন বৰ্তমানৰ প্ৰতিকুল পৰিস্থিতিয়ে ম্লান কৰিব নোৱাৰে। এটা জাতিৰ জাতীয় সত্তা ধৰি ৰখা এই বিহুটি আমি পালন কৰিবই লাগিব। বিহুৰ মান মৰ্যদা অক্ষুন্ন ৰাখি প্ৰকৃতিয়ে যি অৱদান আগবঢ়ায় তাৰ তুলনা নাই। কুলি - কেতেকীৰ মাতৰ লগতে কপৌ ফুলৰ সুবাসে প্ৰতিজন অসমীয়াৰ মন - প্ৰাণ আপ্লুত কৰি তোলে। ৰঙালী বিহুৱে যেন প্ৰতিজন অসমীয়াৰ মন ৰঙালী কৰি তোলে তাৰ কামনাৰে অসমীয়া নৱবৰ্ষ তথা ৰঙালী বিহুৰ শুভেচ্ছা জনাইছোঁ।

ইউনিক ব্ৰেণ্ড
ৰঙালী বিহুৰ শুভেচ্ছাৰে...



UNIQUE BRAND
Ph no. - 97070-98210, 9508415363
A house of Readymade & Titching Garments for Gents & Ladies
Kamarpatty, Dr. J.C. Das Road , (Near Kids Home) Guwahati 1

# অনুসূচীত জাতি-জনজাতিৰ বাবে খালী পদৰ আসন সংৰক্ষণ আইন কাৰ্যকৰী কৰি সংৰক্ষিত প্ৰাৰ্থীক নিযুক্তিৰ দাবী

ৰঙিলী বাৰ্ত্তাসেৱা- অসম অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে খালী পদৰ আসন সংৰক্ষণ আইন ২০১২ কাৰ্যকৰী কৰি সংৰক্ষিত প্ৰাৰ্থীক অগ্ৰাধিকাৰ দি নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ দাবী জনাইছে সদৌ অসম জনজাতি নিবনুৱা সন্থাই। দিছপুৰ প্ৰেছ ক্লাবত উক্ত সংগঠনটোৱে আয়োজন কৰা সংবাদ মেলত সন্থাৰ সভাপতি অনিল বৰ্মন আৰু সম্পাদক ভোলাৰাজ দলে কয়-সদৌ অসম জনজাতি নিবনুৱা সন্থাই ১৯৯৫-৯৬ চনৰ পৰাই অসমৰ নিবনুৱা সমস্যা সমাধানৰ বাবে মাত মাতি আহিছে। বৰ্তমানৰ অসম চৰকাৰে নিবনুৱা সমস্যা সমাধানৰ বাবে অসম চৰকাৰৰ বিভিন্ন বিভাগত খালী হৈ থকা সৰ্ববৃহৎ ২৬, ৪৪১ টা তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদ পূৰণৰ বাবে লাৱো বলিষ্ঠ পদক্ষেপক সন্থাই উষ্ম আদৰণী জনাইছে। উক্ত আইনৰ মতে অনুসূচীত জাতিৰ বাবে ৭ শতাংশ, অনুসূচীত জনজাতি ভৈয়ামৰ বাবে ১০শতাংশ, অনুসূচীত জনজাতি পাহাৰীয়াৰ বাবে ৫ শতাংশ পদ আৰু আসন সংৰক্ষণ হ'ব লাগে আৰু যিসকল জাতি, জনজাতি প্ৰাৰ্থীয়ে যাগ্যেতাৰ ভিত্তিত বাছনিত উঠে, তেওঁলাকে সংৰক্ষণ আসন হিচাপে মূল্যাংকন নকৰি সাধাৰণ শ্ৰেণী হিচাপে গণ্য কৰিব লাগে। বিগত অনুসূচীত জাতি জনজাতি (চাকৰিৰ পদ সংৰক্ষণ) আইন (১৯৭৮) সংশোধিত (২০১২), (RVS P Act) আইনখন চৰকাৰৰ প্ৰতিটো বিভাগে কাৰ্যকৰী নকৰাৰ ফলত কেইবাহাজাৰ চাকৰিৰ বেকলগ পদ পুৰণ নাহোৱোকৈ আছে। বেকলগ পদসমূহ পুৰণ কৰিবৰ বাবে দীৰ্ঘদিন ধৰি দাবী জনাই আন্দোলন কৰাত কিছুমান পূৰণ কৰা হৈছে যদিও আজি পৰ্যন্ত ১২, ১৫৫ টা জনজাতিৰ বাবে বেকলগ পদ খালী হৈ আছে। শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলৰ সংস্থাপনৰ প্ৰতি লক্ষ্য ৰাখি ১২, ১৫৫ টা বেকলগ পদ বিশেষ নিযুক্তি প্ৰক্ৰিয়াৰ জৰিয়তে অতি শীঘ্ৰে পুৰণ কৰিবলৈ অসম চৰকাৰক দাবী জনোৱা হয়। আন এটা গুৰুত্বপূৰ্ণ অভিযাগে মতে, উক্ত আইনৰ মতে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি প্ৰাৰ্থীৰ বাবে আবেদন আৰু পৰীক্ষা মাছুলৰ ৰেহাই ব্যৱস্থা কৰা হৈছে। চৰকাৰে প্ৰাৰ্থীসকলৰ বাবে যি পৰিমাণৰ মাছুল ধাৰ্য কৰে, তাৰ আধা পৰিমাণৰ মাছুলহে জাতি আৰু জনজাতি প্ৰাৰ্থীয়ে দিব লাগে। কিন্তু দুৰ্ভাগ্যজনক যে, তৃতীয় বৰ্গৰ পদৰ আবেদন মাছুল সাধাৰণ শ্ৰেণীৰ বাবে ৩৫০ টকাৰ বিপৰীতে এছচি, এছটিৰ বাবে ২৫০টকা, চতুৰ্থ বৰ্গৰ পদৰ আবেদন মাছুল সাধাৰণ শ্ৰেণীৰ বাবে ২০০ টকাৰ বিপৰীতে এছচি, এছটিৰ বাবে ১৫০ টকা ধাৰ্য কৰা হৈছে। আইন এখন থকাৰ পাছতা কিহৰ ভিত্তিত চৰকাৰে অনুসূচীত জাতি আৰু জনজাতি প্ৰাৰ্থীৰ বাবে অতিৰিক্ত মাছুল ধাৰ্য কৰিছে। সেয়েহে, অনুসূচীত জাতি আৰু জনজাতি প্ৰাৰ্থীৰ হকে তৃতীয়বৰ্গৰ পদৰ আবেদন মাছুল সাধাৰণ শ্ৰেণীৰ বাবে ৩৫০ টকাৰ বিপৰীতে এছচি, এছটিৰ বাবে ১৭৫ টকা আৰু চতুৰ্থ বৰ্গৰ পদৰ আবেদন মাছুল সাধাৰণ শ্ৰেণীৰ বাবে ২০০ টকাৰ বিপৰীতে এছচি, এছটিৰ বাবে ১০০ টকা ধাৰ্য কৰি পুনৰ বিজ্ঞাপন প্ৰকাশৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নিযুক্তি প্ৰক্ৰিয়া নিকা, স্বচ্চতাৰে সম্পাদন কৰিবলৈ দাবী জনোৱা হ'ল।

# গুৱাহাটীত এন চি চিৰ বায়ু শাখাৰ কেডেটৰ চাফাই অভিযান, সজাগতা সমদল



ৰঙিলী বাৰ্ত্তাসেৱা- নদীৰ পাৰত জমা হৈ থকা বা পানীত উটি ভাঁহি অহা পেলনীয়া আৱৰ্জনাই মানৱ জীৱনৰ লগতে জীৱ জন্তুৰো বিস্তৰ ক্ষতি সাধন কৰি আহিছে । এনে ধৰণৰ পৰিৱেশ প্ৰদূষণ ৰোধৰ চেষ্টাৰে ৰাইজৰ মাজত সচেতনতা সৃষ্টি কৰাৰ বাবে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ বায়ু শাখাৰ গুৱাহাটী বিশ্ববিদ্যালয়স্থিত ৫০ আসাম এয়াৰ স্কোৱাড্ৰোণ এন চি চি ইউনিটে এক সমাজ সেৱামূলক আৰু সামূহিক উন্নয়নৰ কাৰ্যসূচী গ্ৰহণ কৰিছে । ইউনিটৰ কমাণ্ডিং অফিচাৰ, গ্ৰুপ কেপ্তেইন ৰাজীৱ বিষয়াৰ নেতৃত্বত গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত থকা ইউনিট কাৰ্যালয়ৰ সন্মুখৰ পৰা প্ৰায় দুই কিঃমিঃ নিলগত থকা শৰাইঘাট দলঙৰ দক্ষিণ দিশত থকা পাণ্ডুঘাটলৈ কেডেট সকলে এক সজাগতা সমদল উলিওৱা হয়। ১০০ ৰো অধিক কেডেটে ভাগ লোৱা সমদলত কেডেট সকলে হাতে হাতে প্লে কাৰ্ড, বেনাৰ লৈ প্লাষ্টিক বৰ্জন কৰক, য'তে -ত'তে আৱৰ্জনা নেপেলাব, নৈৰ পাৰ পৰিস্কাৰ কৰক ধ্বনি দি আকাশ বতাহ মুখৰিত কৰি তোলে । আনহাতে পাণ্ডুঘাটত কেডেট সকলে নদীৰ পাৰত থকা প্লাষ্টিকৰ বটল, পেলনীয়া সামগ্ৰী, জাৱৰ - জোথৰ, আৱৰ্জনা সমূহ চাফ চিকুণ কৰাৰ লগতে সাধাৰণ নাগৰিকক ইয়াৰ অপকাৰীতাৰ বিষয়ে সজাগ কৰে। তেনেদৰে কেডেট সকলে উপস্থিত ৰাইজক আৱৰ্জনা সমূহ কিদৰে ডাষ্টবিনত পেলাব লাগে সেই সম্পৰ্কেও বুজাই দিয়ে ।

# ৰাজ্যজুৰি হিন্দী ভাষা বাধ্যতামূলক কৰাৰ সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিবাদ




ৰঙিলী বাৰ্ত্তাসেৱা- অসম সহ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বিদ্যালয় সমূহত দশম শ্ৰেণী পৰ্যন্ত হিন্দী ভাষা শিক্ষা বাধ্যতামূলক কৰাৰ কেন্দ্ৰীয় বিজেপি চৰকাৰৰ সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰি এছ ইউ চি আই(কমিউনিষ্ট)ৰ উদ্যোগত আজি ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বিক্ষোভ কাৰ্যসূচী পালন কৰা হয়। তদুপলক্ষে দিনৰ ১২.৩০বজাত গুৱাহাটীৰ লক্ষ্মীনাথ বেজবৰুৱাৰ পাদদেশৰ সমীপত দলৰ শতাধিক সদস্যৰ উপস্থিতিত বিক্ষোভ কাৰ্যসূচী পালন কৰা হয়। উত্তৰ পূৰ্বাঞ্চলৰ বিদ্যালয়সমূহত জোৰকৈ হিন্দী জাপি দিয়াৰ চক্ৰান্ত বন্ধ কৰক, ভাষাৰ নামত মানুহক বিভক্ত কৰাৰ ষড়যন্ত্ৰ বন্ধ কৰক, মাতৃভাষাৰ লগতে প্ৰথম শ্ৰেণীৰ পৰাই গুৰুত্ব সহকাৰে ইংৰাজী ভাষা শিক্ষা প্ৰৱৰ্তন কৰক, ইংৰাজী বাদ দি হিন্দীক চৰকাৰী ভাষা কৰাৰ চক্ৰান্তৰ বিৰুদ্ধে গৰ্জি উঠক, হিন্দী ভাষা জোৰকৈ জাপি দি বিভাজনৰ ৰাজনীতি কৰা নচলিব আদি শ্লোগানেৰে পৰিৱেশ উত্তাল কৰে। ইয়াৰ উপৰিও লখিমপুৰ, তেজপুৰ, নলবাৰী, গোৱালপাৰা, শিলচৰ চহৰসমূহতো প্ৰতিবাদী কাৰ্যসূচী পালন কৰা হয়। অসম ৰাজ্যিক কমিটীৰ সম্পাদক চন্দ্ৰলেখা দাসে এক বিবৃতিত কয়, কেন্দ্ৰীয় চৰকাৰে জোৰ কৰি এটা ভাষা গোষ্ঠীৰ জনসাধাৰণৰ ওপৰত আন এটা ভাষা গোষ্ঠীৰ ভাষা জোৰকৈ জাপি দিবলৈ ওলাইছে যিটো সম্পূৰ্ণ অবৈজ্ঞানিক আৰু দূৰভিসন্ধিপ্ৰসূত। এই কথা সৰ্বজনবিদিত যে মানুহে নিজৰ অৰ্থনৈতিক আৰু জীৱন-জীৱিকাৰ প্ৰয়োজনত এজনে আনজনৰ ভাষা শিকে আৰু পাৰস্পৰিক আদান-প্ৰদানৰ যোগেদি ভাষাৰ উন্নতি ঘটায়। স্বাভাৱিকভাৱে আৰু নিজৰ প্ৰয়োজনত, যদি জোৰ জবৰদস্তি

(দহ পৃষ্ঠাত চাওক)

# নূপুৰ কালচাৰেল একাডেমীৰ ভাৰত নাট্যম নৃত্য উৎসৱ



ৰঙিলী বাৰ্ত্তাসেৱা- নূপুৰ কালচাৰেল একাডেমীৰ দশম আন্তঃৰাষ্ট্ৰীয় আৰাংগেত্ৰম আৰু ভাৰত নাট্যম নৃত্য উৎসৱ ২০২২ মাছখোৱাস্থিত প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে সংগীত নাটক একাডেমীৰ বঁটা প্ৰাপক অনিতা শৰ্মা, ৰামকৃষ তালুকদাৰে। আৰম্ভণিতে আদৰণি ভাষণ দিয়ে একাডেমীৰ মুখ্য পৃষ্ঠপোষক বিজয় চন্দ্ৰ গোস্বামীয়ে। অনুষ্ঠানটিত সুদূৰ আমেৰিকা যুক্ৰ ৰাজ্যৰ কেলিফৰ্ণিয়াৰ লিভাৰমোৰ চহৰৰ বাসিন্দা তানিষা ডেকাক ভাৰত নাট্যম নৃত্যৰ দীক্ষান্ত আৰাংগেত্ৰম প্ৰদান কৰা হয়। তেওঁ নূপুৰ কালচাৰেল একাডেমীৰ গুৰু ড° মনীষা দেৱী গোস্বামীৰ তত্বৱধানত সম্পূৰ্ণ অনলাইন পদ্ধতিত শিক্ষালাভ কৰিছিল ।অনুষ্ঠানত গুৰু ড° মনীষা দেৱী গোস্বামীৰ তত্বাৱধানত একাডেমীৰ ছাত্ৰীসকলে কেইবাটিও ভাৰত নাট্যম নৃত্য প্ৰদৰ্শন কৰে। এই নৃত্যত কুমাৰী তানিষা ডেকায়ো অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশগ্ৰহণকাৰীসকলে ভাৰত নাট্যম নৃত্য শৈলীৰ বিনায়ক স্তুতি, পদুম, শব্দম, কৌত্তুভম, বৰ্ণম, অষ্টপদী, শিৱ পাৰ্বতী আনন্দ তান্দৱ, টিল্লানা আদি নৃত্য প্ৰদৰ্শন কৰে। উক্ত অনুষ্ঠানত তানিষা ডেকাৰ ৰচিত ইংৰাজী পুথি ‘দ্য কাৰ্চঅৰ দ্য ব্লেক কেট এন্দ আদাৰ্চ’ পুথি এখনো উন্মোচন কৰা হয়।

৩ বহাগ, ১৪২৭ চন Rongili Barta, Date of Publication-- 17 Apri , 2022

# অসমীয়াই জীয়াই ৰাখিব লাগিব- বিহুৰ পৰম্পৰাঃ এক প্ৰাসংগিক চিন্তা (আমি অসমীয়া নহওঁ দুখীয়া.....)

মানসী মিশ্ৰ

মই খিৰিকীখন খুলি দিলো
স্তব্ধতাৰ নিৰ্জন পোহৰত আমি
আকৌ মুখামুখি হ'লোঃ
শিৰৰ সেন্দুৰৰে সেন্দুৰ
আকাশৰ মুখত জিলিকি উঠিছে
সোনোৱালী বহাগ।

শীতৰ তুহিন স্পৰ্শই সকলোকে চুই যোৱা বয়সতে সৌসিদিনা উলহ-মালহেৰে ৰাইজে ভোগালী বিহু পালন কৰিছিল। চাওঁতে চাওঁতে চকুৰ পলকতে পাৰ হৈ গ'ল তিনিটা মাহ। অসমৰ ৰাইজে এইবাৰ আদৰিববলৈ সাজু হৈছে অসমীয়া হেঁপাহৰ আমঠু ৰঙালী বিহুটিক। ফাগুনৰ চঞ্চলা বতাহজাক, শিমলু পলাশৰ দগমগীয়া ৰঙাবোৰে প্ৰতিজন অসমীয়াৰ অন্তৰত আগতীয়াকৈ সিচি দি যায় বহাগ অহাৰ বাতৰি। লঠঙা শীতে প্ৰকৃতিৰ শোভা সুষমাবোৰ টানি আঁজুৰি লৈ যোৱাৰ পিছত বসন্তৰ কুঁহিপাতবোৰ গছৰ ডালে পাতে পৰ্বতে পাহাৰ সকলোতে সিচি যায় সেউজীয়াৰ সুন্দৰতা। সুদূৰৰ পৰা দোকমোকালিতে ভাঁহি অহা কুলিৰ কু উ উ মাতে সকলোৰে হৃদয়ত এবাৰৰ বাবে হ'লেও এক হেন্দোলনি। বহাগৰ বিহুটিট বসন্তৰ আগমনে প্ৰকৃতিৰ বুকুত সিচি দিয়া সুন্দৰতা খিনিয়ে বিহুৰ আনন্দক এক অন্যান্য মাত্ৰা আৰু পূৰ্ণতা প্ৰদান কৰে। আঘোণ-পুহ মাহত কৃষকৰ দুই হাতেৰে গুজি দিয়া সোণালী ধানৰ মুঠিবোৰ যেতিয়া তেওঁলোকৰ ভৰাঁলত জমা হয় তাৰ পিছতেই ভোগ আনন্দৰে ভোগালী বিহু পাতি কৃষক ৰাইজে বহাগ বিহুৰ সময়লৈ এইছোৱা সময় যথেষ্ট মুকলি মন লৈ আনন্দ উল্লাসেৰে পাৰ কৰে। বহাগ বিহুৰ ৰং উছৱৰ লগে লগে আৰম্ভ হয় অসমৰ গঞা কৃষক ৰাইজৰ বছৰটোৰ বাবে পথাৰৰ সংগ্ৰামী যাত্ৰা। সেয়েহে এই বহাগ বিহুৰ সময়ছোৱাত যৌৱনা প্ৰকৃতিৰ অপৰূপ ৰূপ সুষমাৰ সৈতে একাত্ম হৈ নাচি বাগি মনৰ সকলো ক্লান্তি আৰু অৱসাদ আঁতৰাই ৰাইজ পুনৰ সাজু হয়। নাঙলৰ সীৰলুত ধৰিবলৈ। সেইবাবে এই বিহুটিক বেছি ভাগেই আমি ৰঙালী বিহু বুলি কওঁ। বিহু সম্পূৰ্ণ কৃষিভিত্তিক উৎসৱ আৰু সেই বাবেই বিহুৰ লগত সংযুক্ত হৈ থকা বিভিন্ন লোকাচাৰসমূহত অসমীয়া সহজ সৰল গ্ৰাম্য জীৱনৰ নিভাঁজ ছবিখন ইয়াত পৰিস্ফুট হোৱা দেখা যায়। অসমীয়াৰ জাতীয় জীৱনৰ লগত সাঙোৰ খাই থকা প্ৰতিটো বিহুৰ বিশেষ গুৰুত্ব আৰু মৰ্যাদা আছে। প্ৰকৃতিৰ বেলেগ বেলেগ সময়ত অনুষ্ঠিত হোৱা তিনিওটা বিহুৰ লগত সুকীয়া বৈশিষ্ট আৰু পৰম্পৰা সাঙোৰ খাই আছে। ৰঙালী বিহু বা বহাগ বিহুত খোৱা লোৱা বা ভোগৰ আনন্দতকৈ ৰং আনন্দ সৰ্বাধিক। অসমৰ গাঁৱে-ভূঞে বিভিন্ন অঞ্চলত সাত দিন জুৰি পালন কৰা এই ৰঙালী বিহুটিৰ লগত অঞ্চলভেদে কিছু সুকীয়া পৰম্পৰা সাঙোৰ খাই আছে যদিও গোটেই অসমব্যাপি সমূহীয়া পৰম্পৰা আৰু বৈশিষ্টৰ মাজেদি এই ৰঙালী বিহু পালন কৰা হয়। এই স্বকীয় বৈশিষ্টৰে ভৰা উপাদানসমূহৰ সমষ্টিকেই আমি সংস্কৃতি বুলি কওঁ। খুব সহজ ভাষাত মানুহ আচাৰ আচৰণ আৰু প্ৰকৃতিৰ সংশোধিত ৰূপটোৱেই হ'ল সংস্কৃতি। এটা জাতিৰ সংস্কৃতিয়ে তেওঁলোকৰ জীৱনধৰাৰ প্ৰায় সকলো দিশ যেনে ভাষা, মাত কথা, আচাৰ-ব্যৱহাৰ, খোৱা-লোৱাৰ প্ৰণালী, উৎসৱ পাৰ্বণ আদি সকলো সামৰিলয়। জীৱনধৰণৰ সকলো দিশ প্ৰতিফলিত কৰা এই সাংস্কৃতি সেইবাবে সকলো জাতিৰ মেৰুদণ্ডস্বৰূপ, এই সাংস্কৃতিক উপাদানসমূহেই সেই জাতিটোক বিশ্বৰ দৰবাৰত চিনাকি কৰি দিয়ে। সেয়েহে প্ৰতিটো সচেতন জাতিয়ে নিজৰ সাংস্কৃতিক পৰম্পৰা সমূহ ৰক্ষা কৰিবলৈ আৰু সাংস্কৃতিক উপাদানসমূহ বহল ভিত্তিত সকলোৰে আগত পৰিচিত কৰাই দিবলৈ সচেতন হৈ



থাকে। বিশ্বৰ উন্নত জাতিসমূহে নিজৰ নিজৰ সাংস্কৃতিক উপাদানসমূহ সকলোতকৈ চহকী উপাদান বুলি গণ্য কৰে আৰু যথোচিত সন্মান আৰু মৰ্যাদাসহকাৰে সংস্কৃতি মানি চলিবলৈ সতকাই যত্নপৰ হোৱা দেখা যায়। সেইদৰে অসমীয়াৰ জনজীৱনত সংস্কৃতি বিহু উৎসৱ পালনৰ প্ৰতিও আছে প্ৰতিজন অসমবাসীৰ শ্ৰদ্ধাপূৰ্ণ দৃষ্টি আক তীব্ৰ আকৰ্ষণ। প্ৰকৃতিৰ বেলেগ বেলেগ সময়ত অনুষ্ঠিত আৰু আয়োজিত তিনিওটা বিহু প্ৰতিজন অসমীয়াই সুকীয়া শৈলীৰে পালন কৰাৰ ওপৰত যথেষ্ট গুৰুত্ব দি আহিছে। প্ৰতিটো বিহুৰ লগত জড়িত বেলেগ বেলেগ ধৰণৰ লোকাচাৰসমূহে মানুহক যে কেৱল আনন্দই দি আহিছে তেনে নহয়, এয়াই মানুহৰ মনত সামূহিক, সামাজিক ভাবানুভূতিৰ জন্ম দিয়ে। মনলৈ আনে ঐক্য সম্প্ৰীতিৰ ভাৱ আৰু প্ৰতিজন ব্যক্তিকে নিজৰ নিজৰ সাংস্কৃতিক উপাদানসমূহৰ সৈতে পৰিচয় কৰাই দিয়ে। ৰঙালী বিহুত যদিও ভোগালী বিহুৰ দৰে ভাগৰ প্ৰাচুৰ্য্যতা নাই তথাপি গাঁৱে ভূঞে সাতদিন ব্যাপী চলা এই বিহুত আনন্দৰ প্ৰাচুৰ্য্যতা আছে। কেৱল যে মানুহৰ ৰং ৰইচৰ বাবে এই বিহু পালন কৰা হয় এনে নহয় কিন্তু এই বিহুৰ পিছত কৃষিজীৱী অসমীয়া জনজীৱনত কৃষিকাৰ্য্যৰ

(আঠপৃষ্ঠাত চাওক)

# স্বাক্ষৰতা বহনকাৰী লোকগীতসমূহ

স্বাগতা বৰুৱা গোস্বামী




অসমীয়া চহা কবিৰ ছন্দোবদ্ধগীত হিচাপে প্ৰাণ পাই উঠা লোকগীত সমূহ বৈচিত্ৰ্যপূৰ্ণ। লোকসমাজৰ জীৱন চেতনা আৰু আশা আকাঙ্খাৰ মাজতে ৰচিত হোৱা গীতবোৰ চহা কবিৰ এক অূৰ্পব সৃষ্টি। যুগে যুগে চলি অহা চহা কবিৰ মুক্ত পৰিস্ফুৰণ এই গীতবোৰে এটি এটি যুগৰ স্বাক্ষৰ দাঙি ধৰে। ৰসশাস্ত্ৰৰ জ্ঞানেৰে ভৰপূৰ হৈ থকা মুখে মুখে চলি অহা এই গীতবোৰে মনৰ সাঁচিপাতত ধৰি ৰাখে বিভিন্ন সময়ৰ পৰিৱৰ্তনকাৰী সামাজিক ঘটনাৱলীৰ জীৱন্ত ইতিহাস। অসমীয়া চহা জীৱনৰ প্ৰাণৱন্ত সৃষ্টি বিহুগীতসমূহো ইয়াৰ ব্যতিক্ৰম নহয়। বিহু আমাৰ তিনিটা হ'লেও প্ৰতিটো বিহুৰ লগত জড়িত হৈ আছে একোটা কৃষিভিত্তিক সম্পৰ্ক। ঠিক তেনেকৈ আমাৰ আলোচ্য বিষয় ৰঙালী বিহু - কাৰণ এই বিহুতেই বাদ্যযন্ত্ৰৰে ৰঙ ৰহইচ কৰি নাচনী জনীয়েও গীতৰ তালে তালে এপাক কঁকালটো ভঙা দেখা যায়। বিহু কৃষিভিত্তিক। কৃষিক বাদ দি সভ্যতা জীয়াই ৰখাতো ব্যৰ্থ। কিন্তু এই কৃষিভিত্তিক সভ্যতাই তাহানিৰ যুগতে শ্ৰেণী বৈষম্য সৃষ্টি কৰাত ইন্ধন যোগাইছিল। ইয়াৰ স্বাক্ষৰ পাব পাৰি চহা কবিৰ বিহু গীতত।

"দেউতাৰ পদূলিত গোন্ধাইছে মাধুৰী
কেতেকী মলমলাই।"

দেউতা অৰ্থাৎ ইয়াত দেউতা শব্দটোৱে মহাজন শ্ৰেণীক বুজাইছে। সেইসময়ত সমাজৰ ডাঙৰীয়া শ্ৰেণীৰ চল চক্ৰান্তৰ কোনো আওঁভাও নোপোৱা শ্ৰমজীৱী লোকসকলকক কেৱল সম্পদ আহৰণৰ আহিলা হিচাপে ব্যৱহাৰ হোৱা বস্তু বুলি ভাবি সৃষ্টি কৰিছিল এখন উচ্চ নীচৰ প্ৰাচীৰ থকা সমাজ। যাৰবাবে শ্ৰমিকে তেওঁলোকক দেউতা সম্বোধনেৰে তোষামোদ কৰিছিল।

(দহ পৃষ্ঠাত চাওক)

# বসন্তৰ আগমন

নিলাক্ষী শৰ্মা
দক্ষিণ পাট সত্ৰ (নগাঁও)



পছোৱা বতাহ জাকে
ধৰালৈ আনিলে বসন্তৰ আগমন।
বহুত দিনৰ অপেক্ষা ত থকা
বিৰিখে যেন প্ৰাণ পাই উঠিছে
আৰু প্ৰাণ পাই উঠিছে
নিজকে বিহুলৈ সজাই তোলাৰ অপ্ৰাণ চেষ্টাই।
আহঁতৰ কোমল পাতৰ মাজেদি সকলো নিৰ্জনতা ভেদ কৰি
ভাঁহি আহিছে কুলি চৰাইৰ দৰদী মাত।
নাহঁৰ কেতেকী ৰ গোন্ধই চৌদিশ আমোলমোলাই গৈছে।
জাগি উঠিছে মনত বিহু বুলি সাঁচি ৰখা নানা আশা।
দুবৈৰ ঢোল পেঁপাৰ শব্দ ই নাচনী হতঁক বাউলী কৰিছে।
কিমান যে সপোন, বিহুতো বুলি।
সকলোৰে দিলে বহাগৰ এক মিঠা শিহৰণ
বসন্তৰ আগমন।

# বিহুগীতৰ শব্দত শালীনতা আৰু আধুনিক প্ৰভাৱ

গোপাল জালান



বিহুগীতৰ অসমীয়া সংস্কৃতিত আছে এক সুকীয়া স্থান। পৰম্পৰাগতভাৱে চলি অহা বিহুগীত শুনিলেই প্ৰতিগৰাকী অসমীয়াৰ দেহ-মন পুলকিত হৈ পৰে। কাৰণ বিহুগীতৰ মাজত বিচাৰি পোৱা যায় অসমীয়া সমাজখনৰ চিনাকি বায়ু, মাটি আৰু সুবাস। ইয়াত কি নাই। মৰম-ভালপোৱাৰ পৰা আৰম্ভ কৰি সুখ-দুখ, পোৱা-নোপোৱাৰ কথা, মনৰ কোনো এটি কোণত থুপ খাই থকা শব্দপুঞ্জ, আশা-নিৰাশা, ভৱিষ্যতৰ সোণালী সপোন আৰু থানবান হৈ যোৱা ছবি। বিহুগীতসমূহ ইমান দিনে পৰম্পৰাগতভাৱে চলি আহিছিল যদিও যেতিয়াৰেপৰাই গীতসমূহ ব্যৱসায়িক ভিত্তিত কেছেটত আবদ্ধ হ'ল তেতিয়াৰে পৰা ইয়াৰ কোনো মা-বাপ নোহোৱা হ'বলৈ ধৰিছে। আজিকালি বিহুগীত লিখা লোকো ওলাইছে। একোজন ৰচকে বছৰটোত শতাধিক এনে গীত ৰচনা কৰা বুলিও গৰ্ব কৰে। পিছে বিহুগীত ৰচনা কৰিব পাৰি জানো? ৰাজ্যখনৰ বিভিন্ন অঞ্চলত পৰম্পৰাগতভাৱে চলি অহা বিহুগীতহে ইমান দিনে গ্ৰহণযোগ্য হৈ আহিছিল। অসমৰ বিভিন্ন অঞ্চলৰ লোকসকলে বেলেগ বেলেগ সুৰত পৰম্পৰাগত বিহুগীতসমূহ গাই আহিছে। বিহু হুচৰি গাঁৱৰ ৰাইজে গাঁওতে সুৰ লগাই অতি শুৱলা কৰিছিল। এই গীতবোৰ এটা অঞ্চলৰ পৰা আন এটা অঞ্চললৈ প্ৰসাৰিত হওঁতে সুৰবোৰৰ সামান্য পৰিৱৰ্তন হৈছে। তদুপৰি শব্দ চয়নৰ ক্ষেত্ৰতো সামান্য পাৰ্থক্য দেখা যায়। এনেধৰণৰ সুৰ তথা শব্দ চয়নৰ মাজত পাৰ্থক্য থকাটো স্বাভাৱিক কথা। পিছে এইবোৰ গীতক আওকাণ কৰি যেতিয়া একাংশ লোকে বা গীতিকাৰে বিহুগীত ৰচনা কৰিবলৈ ধৰিলে তেতিয়াৰে পৰাই এই ধাৰাটোৰ অৱক্ষয় হোৱা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব।

আধুনিক বিহুগীতসমূহ শুনিলে মনত এনে এটি ভাব হয় কেইটামান শব্দ লগ লগাই একো একোটা কবিতাহে ৰচনা কৰিছে। এইবোৰৰ শব্দবোৰো কিবা অদ্ভুত। বেছিভাগ গীত শুনিলেই ইয়াৰ অৰ্থ বিচাৰি পোৱা নাযায়। এইবোৰ গীতত আধুনিকতাৰ ইমান প্ৰভাৱ পৰিছে যে বহিঃৰাজ্যৰ লোকসকলে যদি শুনে তেতিয়া মনত এনে ভাব হ'ব যে ইয়াত পৰম্পৰাৰ গোন্ধ মুঠেই নাই। বিহুগীতৰ ৰচকসকলে হয়তো পাহৰি গৈছে যে বিহুগীত ৰচনা কৰিব নোৱাৰে। কেছেটৰ বিহুগীতৰ পৰম্পৰাৰ গীত একেবাৰেই নাই। ইয়াত গৱেষণা কৰিবলৈও একো বিচাৰি পোৱা নাযায়। সকলোৰে মনত ৰখা উচিত যে পৰম্পৰাক বাদ দি এটা জাতিৰ সংস্কৃতি জীয়াই থাকিব নোৱাৰে।

আগতে বিহুগীত-নৃত্যত যৌনতা প্ৰকাশ হৈছিল আঁৰ কাপোৰ ৰাখি। অৰ্থাৎ অশ্লীল শব্দ প্ৰয়োগ নকৰাকৈ বা অংগী-ভংগীৰেহে যৌনতা প্ৰকাশ পাইছিল। বিহুত যিহেতু যৌনতাৰ গোন্ধ থাকে, গতিকে ইয়াত পৰোক্ষভাৱে হ'লেও যৌনতাৰ গোন্ধ থাকিবই। সেইবাবেই হয়তো ৰাতি বিহুৰ সৃষ্টি হৈছিল। অৱশ্যে বিহু যিহেতু সাৰ্বজনীন ৰূপত প্ৰকাশ পায়, সেয়েহে যৌনতা প্ৰকাশৰ ক্ষেত্ৰতো সকলোৱে সতৰ্ক আৰু সাৱধান থাকে। যেতিয়া পদুলিয়ে পদুলিয়ে বিহু হুচৰি গাবলৈ যায় তেতিয়া পৰিয়ালৰ লোকসকলে একেলগে হুচৰি উপভোগ কৰে। গতিকে সামাজিকভাৱে দায়বদ্ধ লোকসকলে পৰম্পৰাগতভাৱে চলি অহা বিহুগীতৰ প্ৰচাৰ আৰু প্ৰসাৰৰ সময়ত এইবোৰ দিশতো গুৰুত্ব প্ৰদান কৰিছিল। পৰম্পৰাগতভাৱে চলি অহা বিহুগীতসমূহ লিখিত ৰূপত পোৱা নাযায়। এতিয়া যেনিবা কিছুমানে বিহুগীতৰ ওপৰত গৱেষণা চলাই এইবোৰক লিখিত ৰূপত উপস্থাপন কৰি সংৰক্ষণৰ ব্যৱস্থা কৰিছে। এয়া সঁচাকৈয়ে প্ৰশংসনীয় পদক্ষেপ। কাৰণ আধুনিক বিহুগীতে এতিয়া যি ৰূপ লৈছে তাৰ প্ৰকোপত পৰম্পৰাগত গীতসমূহ লোপ পাবলৈ বৰ বেছি দিন নালাগিব। আজিকালি বিহুগীতত আই লাভ ইউ, বিছনাত বাগৰি গাৰু সাবটি, জাবৰ দিনত জুতি ল'বি কেঁথা-কম্বল লৈ আদি শব্দ বা বাক্য ব্যৱহাৰ কৰি বিহুগীত ৰচনা কৰা হৈছে।

বিহুগীতৰ সুৰ পৰম্পৰাগত হ'বই লাগিব। এনে সুৰত অসমৰ কেঁচা মাটিৰ গোন্ধ বিচাৰি পোৱা যায়। এতিয়া পিছে বেছিভাগ বিহুগীতৰ সুৰ হিন্দী গীত অথবা আন ভাষাত পোৱা

*(আঠপৃষ্ঠাত চাওক)*

# বহাগ বিহু

হিমাদ্ৰী বৰকটকী
শিৱনগৰ, নগাঁও



“ বিহু আনন্দীয়া বিহু বিনন্দীয়া
বিহুৰ মৌ - মিঠা মাত
বিহুৰ বা লাগি নাচনী ভনীটি
ঐ
ততে নাইকিয়া গাত ”

প্ৰতিটো জাতিৰে নিজৰ নিজৰ একোটা জাতীয় উৎসৱ আছে। জাতীয় উৎসৱৰ দ্বাৰা জাতিটোৰ নিজা সংস্কৃতি প্ৰকাশ পায়। বিহু হ'ল অসমীয়াৰ জাতীয় উৎসৱ। বিহু তিনিটি....বহাগ বিহু, কাতি বিহু আৰু মাঘ বিহু । বহাগ বিহুক ৰঙালী বিহু বুলি কোৱা হয়। বাপতি সাহোন ৰঙালী বিহুটি চক্ৰত মাহৰ শেষৰ দিনা খনৰ পৰা বহাগৰ ছয় তাৰিখলৈকে সাত দিন উদযাপন কৰা হয় ।এই বিহুৰ প্ৰথম দিনটোক গৰু বিহু বুলি কোৱা হয়। সেইদিনা গৰুক মাহ - হালধীৰে গা ধুওৱা হয় ।গৰুক নতুন পঘা দিয়া হয়। গৰুৰ চাত বনাই লাউ খা, বেঙেনা খা বছৰে বছৰে বাঢ়ি যা বুলি গৰুৰ গাত চাত মৰা হয় ।আবেলি গৰুক জাক দিয়া হয়। দ্বিতীয় দিনা মানুহৰ বিহু বুলি কোৱা হয়। সেইদিনা মাহ-হালধীৰে গা ধুই নতুন কাপোৰ মানুহে পিন্ধে আৰু ইজনে সিজনক বিহুৱান দিয়ে। তৃতীয় দিনা গোসাঁইৰ বিহু বুলি কোৱা হয় । সেইদিনা ঘৰৰ গোসাঁই ঘৰত বা মন্দিৰ, নামঘৰত শৰাই দিয়া হয় আৰু ভগৱানৰ চৰনত আঁশিষ বিচাৰে সকলোৱে যাতে বছৰটো ভালে কুঁশলে যায়।

অসমীয়াৰ বাপতি সাহোন বহাগৰ বিহুটি হ'ল আনন্দৰ উৎসৱ। বিহুৰ নাম শুনিলেই অসমীয়াৰ মন প্ৰাণ নাচি উঠে। বিহুত বিহু নাচ, গানৰ মাজেৰে এই উৎসৱটি পালন কৰা হয়। ঘৰে ঘৰে বিহু হুঁচৰি গোৱা হয়। বিহুত জেতুকা লগোৱাটো অসমীয়া সমাজৰ পৰম্পৰা। নাচনীয়ে জেতুকাৰ বোলেৰে হাত বুলাই বিহু নৃত্য পৰিবেশন কৰে। বিহুত বিহু নৃত্য, বিহু কুঁৱৰী, গান আদিৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। খেল ধেমালি, লাৰু পিঠা প্ৰতিযোগিতা ও অনুষ্ঠিত কৰা হয়। বিহুত লাৰু, পিঠা, দৈ, চিৰা আদি খোৱা অসমীয়া সমাজৰ পৰম্পৰা। ঠাই বিশেষে ১৪ বিধ শাক আৰু দৈ পইতা খোৱাও হয়। ইজনে সিজনক বিহুৱান দি বিহুৰ ওলগ জনাই।

অসমৰ লগতে অসমৰ দাঁতি-কাষৰীয়া ৰাজ্যতো কোনো কোনো জাতি জনজাতিৰ লোকে বিহু উদযাপন কৰা দেখা যায়। বিহুৰ এক বিশেষ বৈশিষ্ট হ'ল ই জাতি বৰ্ণ নিৰ্বিশেষে সকলো লোকে একেলগে উদযাপন কৰিব পৰা এক উৎসৱ। বহাগ বিহু হৈছে অসমীয়া সাংস্কৃতিৰ অবিচ্ছেদ্য অঙ্গ। আমাৰ জাতীয় উৎসৱ বিহুক লৈ আমি গৌৰৱবোধ কৰোঁ।

# সময়ৰ গতিত ৰঙালী বিহু

জয়ন্ত কলিতা,ৰঙিয়া




বহাগ মানেই ঢোল পেপা গগনাৰ মাত, বহাগ মানেই চৌদিশে বিহু নামৰ জাত, বহাগ মানেই বিহু নাচ নাচিবলৈ ওলাই অহা শাৰী শাৰী গাভৰুৰ জাক। পিছে পৰিবৰ্তিত সময় আৰু সমাজ ব্যৱস্থাতত সেই ঢোল পেপা, বিহু নাম আদিৰ ম্যাদ যেন উকলিব ধৰিছে। একসময়ৰ শুকান পথাৰৰ সেউজ আঁহত তলৰ বিহু লেহেকৈ মঞ্চ লৈ ৰূপান্তৰিত হয় যদিও এতিয়া সেই মঞ্চ খনত পশ্চিমীয়া অপসংস্কৃতি ৰ ৰঙা পোহৰ দেখা যায়। যি ৰঙালী বিহুৰ জৰিয়তে অসমীয়া জাতীৰ বিমোহন ক'লা সংস্কৃতি ভেটি প্ৰতি ফলিত হৈছিল।পিছে আজিৰ হাটে হাটে দামি স্মাৰ্ত ফোন লোৱা প্ৰজন্মই অন্য বাহ্যিক ক'লা সংস্কৃতিক ৰঙালী বিহুৰ লগত সংমিশ্ৰণ কৰিব ধৰিছে। বিহু নাম, হুচৰি আদিত পাশ্চাত্য বাদ্য যন্ত্ৰৰ সংমিশ্ৰণ ঘটাৰ লগতে হিন্দী, ইংৰাজী, আদিৰ দৰে অন্যান্য গীত বোৰ বহাগী বিহু অনুস্থান বোৰত পৰিৱেশন হব ধৰিছে। যি বিহুগীত বা বিহু নৃত্য ক্ষন্তেক সময় উপভোগ কৰিলেই অসমীয়া জাতীয় জীৱনৰ সংস্কৃতিৰ আভাষ পোৱা গৈছিল যি বিহু নাম বোৰত ডেকা গাভৰুৰ জীৱন যৌৱনৰ প্ৰেমৰ প্ৰকাশ ঘটিছিল ।কিন্তু সময়ৰ গতিত ভোগবাদ - বস্তুবাদৰ আচোৰত বিহু বা বিহু গীতৰ প্ৰকৃত জীয়া ৰূপটি এতিয়া জুৰুলা হৈ পৰা পৰিলক্ষিত হৈছে।

# হেকাৰৰ কবলত


অইলৰ সমগ্ৰ অনলাইন ব্যৱস্থা হেক কৰা আন্তৰ্জাতিক হেকাৰ সংস্থাটোৱে ইতিমধ্যে অইল কৰ্তৃপক্ষক প্ৰায় ৬০ কোটি টকা দাবী কৰিছে। দাবীৰ ধন আদায় নিদিলে আৰু অধিক ভাইৰাছ অইলৰ নেটৱৰ্কত এৰি দিয়া হ'ব বুলিও কুখ্যাত হেকাৰ সংস্থাটোৱে ভাবুকি প্ৰদান কৰিছে। ইতিমধ্যে এনেধৰণৰ হেকিঙৰ ফলত অইলৰ বহু নথি-পত্ৰ আৰু তথ্য হৰলুকী হোৱাৰ আশংকা প্ৰকট হৈ পৰিছে। এনে পৰিস্থিতিত অইল কৰ্তৃপক্ষই ইণ্টাৰনেট আৰু ইণ্টাৰনেল যোগাযোগ ব্যৱস্থাৰ অচল অৱস্থা দূৰ কৰিবৰ বাবে বিশেষ এজেঞ্চীক দায়িত্ব প্ৰদান কৰিছে। আনহাতে, হেকাৰৰ দ্বাৰা প্ৰেৰিত ভাইৰাছ যাতে অধিক ৰূপত সম্প্ৰসাৰিত হ'ব নোৱাৰে, তাৰ বাবেও নিজাববীয়াকৈ প্ৰতিৰোধৰ ব্যৱস্থা কৰিছে অইল কৰ্তৃপক্ষই। ইতিমধ্যে অইল কৰ্তৃপক্ষই প্ৰতিষ্ঠানটোৰ আইটি বিভাগক জৰুৰীকালীন ব্যৱস্থা গ্ৰহণৰ বাবে দায়িত্ব প্ৰদান কৰিছে।

# ভাৰতত ১,০৮৮ জন লোক নতুনকৈ কৰ'নাত আক্ৰান্ত

ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে জনোৱা অনুসৰি ভাৰতত যোৱা ২৪ ঘণ্টাত ১,০৮৮ জন লোক কৰ'নাত আক্ৰান্ত হৈছে। যোৱা ২৪ ঘণ্টাত ২৬ জন লোকৰ কৰ'নাত আক্ৰান্ত হৈ মৃত্যু হৈছে। ইয়াৰ লগতে ভাৰতত কৰ'নাত আক্ৰান্ত হৈ মৃত্যু হোৱা মুঠ লোকৰ সংখ্যা ৫,২১,৭৩৬ জনলৈ বৃদ্ধি হয়। আৰু যোৱা ২৪ঘণ্টাত ১,০৮১ জনলোক



কৰ'নাত সংক্ৰমণৰ পৰা সুস্থ হৈ উঠিছে। আনহাতে ভাৰতত বৰ্তমান ১০,৮৭০টা সক্ৰিয় ঘটনা আছে।



# ব'হাগত সৌন্দৰ্য চৰ্চা

ডাঃ বিজিতা চুতীয়া,
বি.এ. এম.এচ., এম.ডি.(আয়ুৰ)
আয়ুৰ্বেদিক বিশেষজ্ঞা



অসমীয়াৰ অতি আদৰৰ ব'হাগ বিহু বা ৰঙালী বিহু আহি পালেহিয়েই। ব'হাগ বিহু বুলিলেই মনটো উৎফুল্লিত হৈ উঠে। কিয়নো ব'হাগ বিহুৰ সময়ত অসমৰ চৌদিশে এক উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰে। ঢোল, পেঁপা, গগনাৰ মাতে মন মতলীয়া কৰে। বিহুৰ দিনকেইটাত মাহ-হালধি সানি গা ধোৱা, দুহাত জেতুকাৰে বুলোৱা ইত্যাদি সৌন্দৰ্য চৰ্চাৰ পৰম্পৰা অতীজৰে পৰা অসমীয়া সমাজত প্ৰচলিত হৈ আহিছে।

ব'হাগ বিহুৰ মুখ্য আকৰ্ষণ জেতুকা, বৰ্হমথুৰি ইত্যাদি প্ৰাকৃতিক উপাদান সৌন্দৰ্য চৰ্চাত ব্যৱহৃত হোৱাৰ উপৰিও অশেষ ঔষধি গুনেৰে সমৃদ্ধ। এনে বিহুৰ বতৰত জেতুকা, বৰ্হমথুৰি, ছালকুঁৱৰীৰ সহায়ত সৌন্দৰ্য চৰ্চা কৰাৰ লগতে ঔষধি গুণ সমূহৰ বিষয়ে জানো আহক-

১) জেতুকা- জেতুকা অসমীয়া লোক-সংস্কৃতি আৰু পৰম্পৰাৰ এটা উল্লেখযোগ্য অংগ। জেতুকা এবিধ জোপোহা গছ। জেতুকাৰ বৈজ্ঞানিক নাম হৈছে Lowsonia inermis। জেতুকা ৰং কৰা প্ৰসাধন সামগ্ৰী আৰু ঔষধ হিচাপে আজিৰ পৰা হাজাৰ বছৰ আগৰে পৰা ব্যৱহৃত হৈ আছে। সাধাৰণতে হাতখনি ধুনীয়া কৰিবলৈ অসমৰ গাভৰুৱে জেতুকাৰ ৰঙেৰে বিভিন্ন নক্সা আঁকি লয়। অসমীয়া জীয়ৰী-বোৱাৰী, বিহু নাচনীসকলে গৰু বিহুৰ দিনা হাতত জেতুকাৰ ৰং সানে। বৰ্ত্তমান চুলি ৰঙচুৱা কৰিবলৈ বা চুলিৰ উজ্জ্বলতা বঢ়াবলৈও জেতুকাৰ পাতৰ ৰং লগোৱা হয়। চুলি আৰু ছালৰ যত্নৰ বাবে জেতুকাক এবিধ উপকাৰী বনৌষধ হিচাপে জ্ঞান কৰা হয়। জেতুকা পাতৰ কেইবাবিধো ঔষধি গুণ আছে। যেনে-

১) জেতুকাৰ পাত বটি লগালে ছালৰ ৰোগ, নখৰ ৰোগ আদি নোহোৱা হয়।

২) হাতৰ ছাল এৰোৱা সমস্যা থকাসকলৰ বাবে জেতুকা অতি উত্তম।

৩) ভৰিৰ জ্বলা-পোৰা সমস্যাত জেতুকাৰ পাত ভিনেগাৰৰ লগত মিহলাই ভৰিৰ গোৰোহাত লগাই থ'লে আৰাম পায়।

4) ঘামচিৰ পৰা হাত সাৰিবলৈ জেতুকাৰ পাত বটি আক্ৰান্ত স্থানত লগাব পাৰি।

৫) গাঁঠিৰ বিষ, আৰ্থ্ৰাইটিছি আদিত জেতুকাৰ অত বটি সেই স্থানত লগালে আৰাম পোৱা যায়।

৬) উচ্চ ৰক্তচাপ ৰোগত জেতুকাৰ পাত বটি ভৰিৰ তলুৱাত লগাব লাগে।

৭) জেতুকা গছৰ ছাল জণ্ডিচ আৰু লিভাৰৰ সমস্যাত ব্যৱহাৰ কৰা হয়।

৮) জেতুকাৰ পাত বটি নিয়মীয়াকৈ চুলিত ব্যৱহাৰ কৰিলে অকালতে চুলি পকা, চুলি সৰা, উফিৰ সমস্যা হ্ৰাস পায়।

১০) ২৫০ গ্ৰাম নাৰিকল তেলৰ লগত এমুঠি জেতুকাৰ পাত উতলাই ঠাণ্ডা কৰি এটা পাত্ৰত ভৰাই থ'ব। এই মিশ্ৰণটো দৈনিক চুলিত লগালে চুলি শক্তিশালী হৈ উঠে।

হাতৰ ৰং হিচাপে জেতুকাৰ অসমীয়া প্ৰস্তুত প্ৰণালী- জেতুকাৰ ৰং গাঢ় কৰিবলৈ জেতুকা পাতৰ লগতে পকাপান, ঠেকেৰা টেঙা, বৰ্হমথুৰিৰ কুঁহিপাত, মধুৰিআমৰ কোঁহ, খেৰেজু টেঙা, কেঁচা হালধি, ডালিমৰ কোঁহ আদি ঔষধি মিহিকৈ বটি হাতৰ তলুৱাত বহলাই দি ওপৰত এৰা গছৰ পাত এখিলা (আজি কালি পলিথিনো ব্যৱহাৰ কৰা হয়) দি মুঠি মাৰি বান্ধি ৪ ঘণ্টামান ৰাখিলে ৰং ধৰে। বান্ধ খোলাৰ পাছত মিঠাতেল সানিব লাগে।

প্ৰাকৃতিকভাৱে চুলিৰ ৰং গাঢ় কৰিবলৈ প্ৰস্তুত প্ৰণালী- জেতুকা পাত, কণী, দুচামুচ কফি, দুচামুচ চেনী, দুচামুচ মৌ, দৈ, চাহপাতৰ সিজোৱা পানীৰ লগত মিহলাই এৰাতি তিয়াই ৰাখিব লাগে। পিছদিনা পুৱাই সেই মিশ্ৰণ চুলিত লগাই দুঘণ্টা ৰাখি পানীৰে পৰিষ্কাৰকৈ ধুই পেলাব লাগে। সিদিনা ৰাতি মূৰত তেল সানি পিছদিনা শ্বেম্পু কৰিব লাগে। এইদৰে ১৫ দিনৰ মূৰে মূৰে কৰিলে দেখিব চুলিৰ সুন্দৰ ৰং ধৰিছে। লগতে চুলি সৰা বন্ধ হ'ব, উফিৰ সমস্যাও দূৰ হ'ব।

বৰ্হমথুৰি- বৰ্হমথুৰি অতীজ অসমৰ এবিধ প্ৰসাধন সামগ্ৰী আছিল। আগৰ দিনত প্ৰাকৃতিকভাৱে ওঁঠত ৰং বোলাবলৈ বৰ্হমথুৰি বহুলভাৱে ব্যৱহাৰ কৰা হৈছিল। বিশেষভাৱে বিহু নাঁচোতে নাচনীয়ে ওঁঠত বৰ্হমথুৰিৰ বোল সানি লৈছিল। বৰ্হমথুৰিৰ বোল সম্পূৰ্ণ ৰঙা নহয় অলপ ক'লা মিহলি ৰঙা। বৰ্হমথুৰিৰ কুমলীয়া পাত বা থুৰি তামোলৰ লগত বা শুদাকৈ চোবালে ওঁঠ আৰু জিভাত ৰঙচুৱা ক'লা ৰং ধৰে। সময়ৰ পৰিৱৰ্ত্তনৰ লগে লগে প্ৰাকৃতিকভাৱে ওঁঠ বুলোৱা বৰ্হমথুৰিৰ ঠাই ল'লে আজিৰ লিপষ্টিকে। বৰ্হমথুৰি গছ অসমৰ ডিব্ৰুগড়, লখিমপুৰ, শিৱসাগৰ,

(আঠপৃষ্ঠাত চাওক)

# শৈশৱৰ ৰঙালী বিহু

কৌশল্যা বৰা
দেৰগাঁও



উৎসৱ সদায় সমূহীয়া প্ৰচেষ্টা, ভাব-চিন্তা আৰু সহযোগিতাৰ ফলশ্ৰুতি। বিহু, ফাকুৱা, পূজা আদি জাতীয় উৎসৱবোৰ আমাৰ বৰ্ণময় সংস্কৃতি, ঐতিহ্য, জাতীয় জীৱনৰ চিনাকি আৰু আমাৰ জীৱন যৌৱনৰ ৰং, একতাৰ প্ৰতীক। উৎসৱে দিয়ে স্বত:স্ফূৰ্ত আন্তৰিক আনন্দ, একাত্মবোধ আৰু সামাজিক বান্ধোন। ব্যক্তিগত জীৱন সুন্দৰ সংস্কৃতিবান হয় সদায় সামাজিক ব্যাপক ৰূপৰ মাজতহে। আমাৰ বাপতি সাহোন ৰঙালী বিহুটি অসমীয়াৰ নতুন বছৰৰ আৰম্ভণি, বহাগীৰ আদৰণি। পুৰুষ আৰু শক্তিৰ বান্ধোন। হুঁচৰিয়েই যাৰ পৰিচয়। শৈশৱৰ পৰা বয়স্ক জনলৈকে সকলোৰে অন্তৰৰ পাৰভঙা আনন্দ প্ৰকাশ কৰি নতুন বছৰত জাতিটোৰ কাৰণে কুশল-মঙ্গল কামনা কৰি নাচি-বাগি মতলীয়া হয়। এই বিহুৰ আলোচনা এই ক্ষুদ্ৰ পৰিসৰত সম্ভৱ নহয়। শিশুৰ পৰা বৃদ্ধলৈকে সকলোকে বিহুৱে দিয়ে অনাবিল সন্তোষ। শৈশৱৰ কোমল মনক ৰঙালী বিহুৱে দিয়ে সামাজিক দায়বদ্ধতা, নৈতিকতা আৰু আধ্যাত্মিক মূল্যবোধৰ আভাস। ৰঙালী বিহুৱে আত্মপ্ৰকাশ কৰে হুঁচৰিৰ ৰূপত। কণ কণ সকলৰ বাবে হুঁচৰি যেন টিম ওৱৰ্কৰ আদিপাঠ। কোনোবা ধনভড়ালী, কোনোবা নামতি, কোনোবা নাচনী, কোনোবা আশীৰ্বাদ দিওঁতা। ডাঙৰক দেখি শুনিয়ে স্বত:স্ফূৰ্তভাৱে গঢ়ি তোলা এটি আনন্দ-মধুৰ শিশু অনুষ্ঠান। গৰু বিহুৰ পুৱাবেলা গৃহস্থৰ চোতালত --"বোলা জয় হৰি"- এ কণ কণ ল'ৰা ছোৱালীয়ে আৰম্ভ কৰে হুঁচৰি--। এজনে লগাই দিয়া পদ বাকীসকলে সমস্বৰে গাই --।

'-দেউতাৰ পদুলিত গোন্ধাইছে মাধুৰী কেতেকী মলে মলাই ঐ গোবিন্দাই ৰাম---'।

'কৃষ্ণই মুৰতে বকুল ফুল এপাহি নিঁয়ৰ পাই মুকলি হ'ল ও গোবিন্দাই ৰাম--'। বয়স্কসকলৰ পৰা শুনা পদ যি যেনেকৈ পাৰে গায় যায়। তাৰ পাছতে --হে হে হেইয়া, হে হে হেইয়া---হেই- বুলি বিহু নাম জুৰি দি জপিঁয়াই মনৰ আনন্দৰে কিৰিলি পাৰি যি মনত থাকে তাকে গাই, হাত মেলি ভৰি মেলি নাচোনত উন্মনা হোৱা আঠ-দহ জনীয়া সেই ল'ৰা হুচৰি জোৰা(সৰু ল'ৰা-ছোৱালীৰ হুচৰিক ল'ৰা-হুচৰি'-বুলি কোৱা হয়)। গৃহস্থীৰ বাবে বছৰলৈ দেও-ল'ৰাৰ আশীৰ্বাদ। দেও-ল'ৰাৰ আশীৰ্বাদত গৃহস্থৰ সকলো অপায়-অমঙ্গল দুৰ হয় বুলি অসমীয়া মানুহৰ বিশ্বাস। কাৰণ তেওঁলোকৰ গাত গোঁসাই থাকে। শিশুক দ্বিতীয় ভগৱান ৰূপে যিহেতু গণ্য কৰা হয়। এই জোৰা দেৱশিশুক হুঁচৰিৰ বাবে চোতালত

(দহ পৃষ্ঠাত চাওক)

# ৰঙালী বিহুটি

ময়ূৰাক্ষী গগৈ



প্ৰকৃতিৰ বুকুলৈ বসন্তৰ আগমন যেন
চেনেহৰ ৰঙালী বিহুটিৰ আগজাননী।
কুলি-কেতেকীয়েও তাৰেই বতৰা দিলে।
নাহৰ ফুলিল, তগৰ ফুলিল,
ফুলিল কপৌ জাত জাত।
অসমৰ চুকে-কোণে সকলোটি সাজু
বাপতি সাহোন ৰঙালী বিহুটিক আদৰিবলৈ।
ঢোলৰ গুমগুমনি, পেঁপাৰ টিহিটি মাতে
আকাশ বতাহ ৰজনজনাই তুলিছে।
ঘৰতো নবহে মন।
তাঁতৰ শালত শিপিনীৰ মাকো
সৰি পৰে ঘনে ঘনে।
খোপাত কপৌফুল গুজি নাচনী জনী
ঢাপলি মেলিছে বিহুৰ তলিলৈ।
ৰঙিলী আইতা জনীও ৰব পৰা নাই থিৰে।
বসন্তৰ বা জাকে যেন সকলোকে কৰিছে উন্মনা।

# মহিলা সবলীকৰণত অগ্ৰাধিকাৰ

## আইন সংশোধনীৰে সাজু চৰকাৰ

উদ্দেশ্য

প্ৰশাসন তন্ত্ৰত মহিলা প্ৰতিনিধিৰ সক্ৰিয় অংশগ্ৰহণৰ হাৰ বৃদ্ধি



JANASANYOG- 185/2022

### অসম পৌৰ আইন, ১৯৫৬ ৰ সংশোধনী মৰ্মে

সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত ১০ বছৰৰ মহিলা সংৰক্ষণৰ ম্যাদ নিৰ্ধাৰণ

### গুৱাহাটী পৌৰ নিগম আইন, ১৯৬৯ৰ সংশোধনী মৰ্মে

নিগম কাউন্সিলৰৰ প্ৰত্যক্ষ নিৰ্বাচনত মহিলা সংৰক্ষণৰ কাৰ্যকাল ১০ বছৰলৈ বৃদ্ধি



১০ ডিচেম্বৰ, ২০২১ৰ অসম কেবিনেটৰ সিদ্ধান্ত অনুসৰি

পঞ্জীয়ন কৰক assam.mygov.in /mygovassam

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Follow us /@diprassam https://dipr.assam.gov.in/

# বিহুগীতৰ শব্দত

গীতৰ সুৰৰ আৰ্হিত ৰচনা কৰা হৈছে। যদি গীতটো দুৰৈৰ পৰা শুনা যায় তেতিয়া ঢোলৰ মাত যদি কমকৈ থাকে তেনেহ'লে হিন্দী গীত অসমীয়াত পৰিৱেশন কৰাৰ দৰে হয়। কিছুমান বিহুগীত ইমানেই বেসুৰীয়া হয় যে সেইবোৰৰ আধুনিক বিহুগীত বুলিও ক'ব নোৱাৰি। অতিসম্প্ৰতি নৱপ্ৰজন্মই গোৱা প্ৰায়ভাগ বিহুগীতেই আধুনিক বিহু গান বুলিহে আখ্যা দিব পাৰি। পৰম্পৰাগত সুৰ নাথাকিলে সেয়া বিহুগীত হ'বই নোৱাৰে। কেৱল ব্যৱসায়িক স্বাৰ্থৰ কাৰণেই চালে নহ'ব, সংস্কৃতিৰ ৰক্ষা হ'বই লাগিব। পৃথিৱীত যি জাতিয়ে পৰম্পৰাক আওকাণ কৰিছে সেই জাতিৰেই সংস্কৃতি অস্তিত্বৰ সংকটত পৰিছে। আনকি বহুতো সৰু-সুৰা জাতি-উপজাতিৰ সংস্কৃতি বিচাৰি পাবলৈ নাইকিয়া হৈছে। এইবোৰ বিষয়ত সকলোৱে গুৰুত্ব প্ৰদান কৰা উচিত। কিয়নো সকলোৱে যদি এতিয়াৰে পৰাই বিশেষ পদক্ষেপ গ্ৰহণ নকৰে তেনেহক্ষলে ভৱিষ্যতে যে বিহুগীত আৰু ইয়াৰ সুৰলৈ অস্তিত্বৰ সংকট নামি আহিব সেয়া নিশ্চিত। আমি সদায় নৱপ্ৰজন্মৰ ওপৰত দোষ জাপি দিলেই নহ'বল, সংস্কৃতি ৰক্ষা কৰাটো সকলোৰে কৰ্তব্য।

# ব'হাগত সৌন্দৰ্য

যোৰহাট, গোলাঘাট আদি জিলাত পোৱা যায়। বৰ্হমথুৰি দীঘল দীঘল পাতেৰে খুৰি মেলা এবিধ আওকাঠী গছ। ইয়াৰ কাঠ কোমল আৰু পাতল কিন্তু মিহি। আগৰ দিনত ইয়াক কটাৰীৰ নাল কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল। বৰ্হমথুৰিৰে ওঁঠ বোলোৱাৰ উপৰিও এই গছৰ কুমলীয়া আগটো বহাগ বিহুৰ বিহুৱতীৰ হাতত বোলাবৰ বাবে জেতুকা পাতৰ লগত মিহলি কৰি খুন্দি লৈছিল।

বৰ্হমথুৰি গছৰ ঔষধি গুণো আছে। বৰ্হমথুৰিৰ পাতৰ কুমলীয়া আগ দিনে দুই-তিনিবাৰকৈ চোবালে দাঁতৰ পায়েৰিয়াৰ সমস্যা দূৰ হয়। বৰ্হমথুৰি গছৰ কুমলীয়া পাতৰ সতেজ ৰস দিনে দুচামুচকৈ খালে গেছ আৰু এছিডিটিৰ সমস্যা দূৰ হয়। বৰ্ত্তমান বৰ্হমথুৰি গছ বেছিকৈ দেখিবলৈ পোৱা নাযায়।

ছালকুঁৱৰী বা এলোভেৰা- সৌন্দৰ্য চৰ্চাত ছালকুঁৱৰীৰ এখন বিশিষ্ট আসন আছে। ছালকুঁৱৰী বা এলোভেৰা আমাৰ অসমত বহুতে ফুল হিচাপে বাৰীগুৱাত ফুলৰ টাবত লগোৱা দেখা যায়। ছালকুঁৱৰী একৰ পৰা দুই ফুট ওখ হয়। ছালকুঁৱৰী ব্যৱহাৰ কৰিলে চুলি সৰা আৰু পকা সমস্যা কম হয়। ইয়াৰ কাৰণে এলোভেৰাৰ (ছালকুঁৱৰী) পূৰঠ পাত কাটি তাৰ ভিতৰৰ জেলি (বিজলুৱা দ্ৰব্য) উলিয়াই লৈ চুলিত সানিব লাগে। চুলিত এই বিজলুৱা দ্ৰব্য সানি লৈ এঘণ্টাৰ পিছত শ্বেম্পুৰে ধুই পেলাব।

আয়ুৰ্বেদ শাস্ত্ৰত এলোভেৰাক ঘৃতকুমাৰী বুলি জনা যায়। ছালকুঁৱৰীৰ ৰসত প্ৰায় দুশবিধতকৈও বেছি ঔষধি উপাদান আছে। ইয়াৰ জেল, ৰস আদি বিভিন্ন ঔষধ আৰু প্ৰসাধন সামগ্ৰী প্ৰস্তুত কৰাত ব্যৱহাৰ কৰা হয়। প্ৰসাধন সামগ্ৰীৰ উপৰিও বিভিন্ন ৰোগ আৰু শক্তি বৰ্দ্ধক টনিক প্ৰস্তুত কৰাতো ছালকুঁৱৰী ব্যৱহাৰ কৰা হয়। ইয়াক মইশ্চাৰাইজাৰ, চাবোন, চানস্ক্ৰীণ, লোচন, শ্বেম্পু আদিতো ব্যৱহাৰ কৰে। ছালকুঁৱৰীয়ে ছাল মসৃণ আৰু সতেজ কৰি নিমজ কৰি তোলে। ছালকুঁৱৰীয়ে আঘাতপ্ৰাপ্ত স্থান, ক্ষতস্থান সোনকালে শুকুৱাব পাৰে, সেয়ে Healing plant বুলিও জনা যায়। ছালকুঁৱৰীয়ে মুখৰ ছাল সোটোৰা সোটোৰ পৰা দোষ দূৰ কৰি ছাল মসৃণ কৰাৰ উপৰিও গালৰ চিকমিকনি ধৰি ৰাখিব পাৰে।

আয়ুৰ্বেদ চিকিৎসা বিজ্ঞানত ছালকোঁৱৰীক পেটৰ বিষ, প্ৰস্ৰাৱ কৰোঁতে কষ্ট হোৱা, কৃমি ৰোগ, যকৃত প্লীহা বৃদ্ধি, শুক্ৰদোষ আদিত ব্যৱহাৰ কৰা হয়। ই গৰ্ভাশয়লৈ ৰক্ত সঞ্চালন বৃদ্ধি কৰে আৰু গৰ্ভাশয়ৰ পৰা সন্তান বাহিৰ হোৱাত সহায় কৰে।

- ছালকুঁৱৰীক জুলন বা পোৰা, গাঁঠিত মোচোকা খোৱা, বগাস্ৰাৱ, জণ্ডিচ, কোষ্ঠকাঠিন্য, ভোক নলগা, গেচ আদি সমস্যাত ব্যৱহৃত হয়।
- জুয়ে পুৰিলে ছালকুঁৱৰীৰ ৰস বা পাতৰ খেতেলা অংশ ব্যহিযভাৱে লগাবলৈ বিধান দিয়ে।
- গাঁঠিত মোচোকা খালে ছালকুঁৱৰীৰ ৰস বা পাতৰ খেতেলা অংশ আক্ৰান্ত স্থানত দিনে দুই তিনিবাৰ ঘঁহিব দিয়া হয়।
- ছালকুঁৱৰী পাতৰ ৰস ২ৰ পৰা ৪ চামুচ প্ৰতিদিনে খুৱালে জণ্ডিচ ৰোগ উপশম হয়।
- যকৃত প্লীহাজনিত ৰোগত, মহিলাসকলৰ মাহেকীয়া সমস্যাত পাতৰ ৰস ২ৰ পৰা ৪ চামুচ, কেঁচা হালধীৰ ৰস ২ ৰ পৰা ৪ চামুচ একেলগে মিহলাই খুওৱা হয়।
- ছালকুঁৱৰীয়ে ডায়েবেটিছ নিয়ন্ত্ৰণ কৰাৰ লগতে কেঞ্চাৰ প্ৰতিৰোধ কৰিব পাৰে বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে।
- বৰ্ধিত লিপিড সহজেই নিয়ন্ত্ৰণ কৰে বাবে হাইপাৰলিপিডেমিয়া ৰোগ নিয়ন্ত্ৰণ কৰাত সহায় কৰে।

গতিকে বহাগ বিহুৰ লগত সংগতি ৰাখি জেতুকা, এলোভেৰা ইত্যাদি প্ৰাকৃতিক উপাদানেৰে সৌন্দৰ্য চৰ্চা কৰি নিজকে আকৰ্ষণীয় ৰূপত সজাই তোলা আহক।

# অসমীয়াই জীয়াই ৰাখিব

শুভাৰম্ভ কৰা হয় বাবেই কৃষিৰ লগত সাঙোৰ খাই থকা গৰু গাই সকলৰ প্ৰতিও মৰম চেনেহৰ ভাব প্ৰকাশ কৰিবলৈ গৰু বিহু পালন কৰা হয়। মানুহ বিহুৰ দিনাখন পুৱাই মাহ-হালধি গাত সানি গা-পা ধুই নতুন বিহুৱান গাত লোৱা পৰম্পৰাই অসমীয়া জনজীৱনত অতীজৰ পৰাই চলি আছে। ইয়াত ধনী দুখীয়াৰ কোনো প্ৰভেদ নাথাকে। পৰিয়ালৰ আপোনজনক, আত্মীয়জনক হৃদয়ৰ আপোনজনক মনৰ ইচ্ছাৰে এখন নতুন বিহুৱান দিব পৰাটো প্ৰতিগৰাকী অসমীয়া বোৱাৰী জীয়ৰীৰ অন্তৰৰ কামনা, হৃদয়ৰ বাসনা। প্ৰতিগৰাকী অসমীয়া জীয়ৰী বোৱাৰীয়ে নিজে তাঁতশালত বৈ, সুন্দৰ আৰু নিপুন হাতৰ পৰশেৰে মন পছন্দৰ এখন বিহুৱান দিব পাৰিলেহে হৃদয়ৰ সন্তুষ্টি লাভ কৰে। অসমীয়া শিপিনীৰ জীয়ৰী বোৱাৰীৰ তাঁতশালত কাপোৰ বোৱা দক্ষতাৰ তুলনা নাই। সেইবাবে বহু যুগ আগতেই মহাত্মাগান্ধীয়ে অসমীয়া জীয়ৰী বোৱাৰীৰ বোৱা কটাৰ দক্ষতা দেখি অকপটে স্বীকাৰ কৰি গৈছিল যে 'অসমীয়া শিপিনীয়ে তাঁতশালত পৰীৰ সপোন ৰচনা কৰে। আজিও তেওঁলোকে বহুজনৰ মাজত সেই অদ্বিতীয় আসনখন দখল কৰি আছে। মানুহ বিহুৰ দিনাখন মনৰ মানুহ গৰাকীয়ে মৰমৰ দীঘ আৰু চেনেহৰ বাণীৰে বৈ দিয়া বিহুৱান গাত লৈ জ্যেষ্ঠজনক সেৱা কৰি জ্যেষ্ঠজনৰ পৰা মৰম আৰু আৰ্শীবাদ গ্ৰহণ কৰি একেলগে জা-জলপান খোৱাটো বিহুৰ প্ৰকৃত পৰম্পৰা। বিহুধৰ্মীয় উৎসৱহে। কিন্তু পৰম্পৰাগতভাৱে পালন কৰা লোকাচাৰসমূহত কৰ নোৱাৰাকৈয়ে বহু আধ্যাত্মিকভাবো নিহিত হৈ আছে। এই বিহুৰ সময়ত অসমত থকা প্ৰতিটো জাতি-জনজাতিৰ ডেকা-গাভৰুৱে প্ৰাণঢালি গোৱা আৰু নচা বিহুগীত আৰু বিহুনাচসমূহে প্ৰতিজন অসমীয়া ব্যক্তিৰ মনত জগাই তোলে এক অনিৰ্বাচনীয় পুলক আৰু হৃদয় জুৰোৱা শিহৰণ। এই বিহুগীতসমূহতো সহজ সৰলভাৱে বৰ্ণনা কৰা হয় বসন্তই প্ৰকৃতিৰ বুকুত সিঁচি দিয়া অপূৰ্ব সৌন্দৰ্য্যৰ সম্ভাৰ আৰু যৌৱন প্ৰাপ্ত ডেকা গাভৰুৰ ইগৰাকীৰ সিগৰাকীৰ প্ৰতি হৃদয়ৰ আকুল আহ্বান। সময়ৰ লগে লগে ৰঙালী বিহুৰ ৰং আনন্দৰ ধাৰাটোৰ আজি বহু পৰিবৰ্তন হ'ল। আজি সময়ৰ পৰিবৰ্তনমুখী চিন্তাধাৰাৰ ফলতেই হওঁক বা আধুনিকতাৰ বাবেই হওঁক পথাৰৰ বিহু মঞ্চৰ বিহুত পৰিণত হ'ল। আগতে এটা সময় আছিল, মহিলাসকলে মুকলি মনেৰে পুৰুষ সমাজৰ আঁৰ লৈ পথাৰৰ নিৰ্জন ঠাইত গছৰ তলত জাক পাতি বিহু মাৰিছিল। মহিলাসকলৰ মাজত জেং বিহু আছিল অতি জনপ্ৰিয়। আজিৰ দিনত তাৰ বহু পৰিৱৰ্তন আহিল। বিজ্ঞানৰ অগ্ৰগতি, মানুহৰ সংগ্ৰাম ভৰা জীৱনৰ ব্যস্ততা, আধুনিক শিক্ষা সমাজ ব্যৱস্থাৰ সমাজ ব্যৱস্থাৰ দ্ৰুত পৰিবৰ্তনে বহু সময়ত মানুহক ব্যক্তি কেন্দ্ৰিক কৰি তুলিছে। এইবোৰৰ কাৰণে উৎসৱ আনন্দত আগৰ দৰে প্ৰাণ চঞ্চলতা নাই। কিন্তু এইখিনিতেই উল্লেখযোগ্য যে উৎসৱৰ পাৰ্বণত মানুহৰ প্ৰাণত সন্ধান হোৱাৰ আনন্দ আৰু দৈনিক দেখা পোৱা ব্যতিক্ৰমীতাই মানুহক দিয়ে জীয়াই থকাৰ প্ৰাচুৰ্য্যতা আৰু সন্মোহিনী শক্তি। যৌথ পৰিয়ালসমূহত এই আনন্দ উৎসৱ মাত্ৰা অধিক হয়। কিন্তু অসমত বিহুৰ সেই আনন্দ, বস্তুবোৰ এতিয়াও একেই আছেনে, আমি নিখুঁতকৈ জীয়াই ৰাখিব পাৰিছোনে বিহুৰ এই ঐতিহ্যময় পৰম্পৰাক। আমি আমাৰ জীৱনলৈ এটা দশক আগতেই দেখা বিহুৰ সেই আনন্দ আৰু আজিৰ দিশৰ আনন্দৰ মাজত বহুত পাৰ্থক্য দেখিবলৈ পাইছো।। সময়ৰ লগে লগে মানুহ চিন্তাধাৰাৰ পৰিবৰ্তন হয়। সময় আৰু সুবিধাৰ লগত সংগতি ৰাখি মানুহৰ সামাজিক উৎসৱ আৰু পৰম্পৰা পালনৰ ক্ষেত্ৰত কিছু নতুনত্ব আহি পৰিব পাৰে। আজি বিশ্বায়নৰ যুগত সময় আৰু সুবিধাৰ লগত সংগতি ৰাখি হোৱা পৰিবৰ্তনৰ লগত সকলোৱে খাপ খুৱাই ল'ব লাগে, কিন্তু আধুনিক দৃষ্টিভংগীয়ে মানুহৰ সাজ পোছাকৰ ক্ষেত্ৰত বাহ্যিকতা, পৰম্পৰা উৎসৱ পাৰ্বণৰ পাহৰি যোৱা অথবা নিজৰ ভাষাটোক হেয় জ্ঞান কৰাটো নুবুজায়। আধুনিক দৃষ্টিভংগীয়ে মানুহৰ সময় সাপেক্ষ চিন্তাধাৰাৰ পৰিবৰ্তনক বুজায়। আমাৰ নিজৰ বিহু উৎসৱটোক আমাৰ নিজৰ ৰাজ্যতেই মাজে মাজে অনাদৃত হোৱা যেন লাগে। বহুসময়ত গভীৰভাৱে চিন্তা কৰিলে দেখা যায় যে যৌথ পৰিয়ালবোৰ ভাগি একক পৰিয়াল হোৱা ব্যৱস্থাটোৱে আমাৰ উৎসৱ পাৰ্বণ, সামাজিক পৰম্পৰা ৰক্ষা কৰাৰ ক্ষেত্ৰত বহুখিনি শিথিলতা আনি দিছে। নগৰীয়া পৰিয়ালসমূহতো পিতৃ-মাতৃ দুয়োগৰাকীয়ে চাকৰিয়াল হোৱা বাবে বহুতেই এনেধৰণৰ উৎসৱ পালনত আগ্ৰহী হোৱা দেখা নাযায়। আমি সকলোৱে অৱশ্যে সময় সাপেক্ষ যুগৰ পৰিবৰ্তনক মানি ল'ব লাগিব কিন্তু সেই বুলিয়ে আধুনিকতাৰ মায়া জালত নিজকে বন্দী কৰিব নালাগে। বিশ্বায়নৰ যুগত উন্নত প্ৰযুক্তিৰ বলত হোৱা দ্ৰুত পৰিবৰ্তনক আনি সকলোৱে স্বাগতম জনাব লাগিব। বিশ্বৰ দৰবাদত বিভিন্ন সামাজিক, সাংস্কৃতিক জীৱনধাৰাৰ লগত নিজকে পৰিচিত কৰিব লাগিব। কিন্তু প্ৰথমতে নিজৰ জাতীয় সংস্কৃতিৰ উপাদানৰ স্বকীয়তা অটুট ৰাখিহে আনি আনৰটো গ্ৰহণ কৰিব লাগে। কিন্তু পৰিতাপৰ বিষয় এইটোৱে যে আমাৰ সমাজত এইটো হৈ থকা নাই। ইয়াৰ পৰিবৰ্তে আমেৰিকা, লণ্ডনত বাস কৰা প্ৰবাসী অসমীয়াই ধুমধামেৰে ৰঙালী বিহু পালন কৰাৰ লগতে আনুষ্ঠানিকভাৱে পালন কৰা দেখা যায়। প্ৰবাসত থাকিও নিজৰ বিহু উৎসৱৰ সংস্কৃতিটো ৰক্ষা কৰিবলৈ তেওঁলোকে সদা সচেতন। তেওঁলোকেই চিনাকি কৰি দিছে বিশ্বদৰবাৰত বিহু নামৰ সংস্কৃতিতোক। অথচ আজি আমাৰ নিজৰ ৰাজ্যতে বহুসময়ত আমাৰ উঠি অহা নৱপ্ৰজন্মৰ বহুতেই বিহুৰ প্ৰতি কোনো আগ্ৰহ নেদেখুৱায়। বিহুৰ লগত জড়িত লোকাচাৰ হেপাহৰ বিহুগীত, বিহুনাচসমূহ শুনাৰ মুঠেই আগ্ৰহী নহয় ইয়াৰ এচাম লোক। বিহুগীত শুনিবলৈ, বিহুগীতৰ বিষয়ে জানিবলৈ নতুন প্ৰজন্মৰ অনেকৰ কোনো আকুলতা নাই। কিন্তু পাশ্চত্য সংস্কৃতি ৰক্ষা কৰিবলৈ যাওঁতে নিজৰ সংস্কৃতিৰ মাজেদি যোৱা উচিত। কেৱল নতুন প্ৰজন্মইয়ে নহয় তৰুণ প্ৰজন্ময়ো কিছু সচেতন হোৱা দৰকাৰ কেৱল কৰ্ম ব্যস্ততাৰ দোহাই দি নাথাকি অসমীয়াৰ নিজৰ জাতীয় জাতীয় কৃষি সংস্কৃতি ৰক্ষা কৰাৰ ক্ষেত্ৰত কিছু আগ্ৰহ প্ৰকাশ কৰাটো ভাল। প্ৰতিটো উৎসৱ পাৰ্বণৰ সৈতে জড়িত সামাজিক ৰীতি লোকাচাৰসমূহৰ সৈতে চিনাকি কৰি দিয়াৰ দায়িত্ব এই তৰুণ প্ৰজন্মই ল'**ব....।** নিজে অসমীয়া বুলি ক'বলৈ, নিজৰ ভাষাটো শুদ্ধ আৰু সুন্দৰকৈ ক'বলৈ, নিজৰ জাতীয় পোছাকযোৰ পিন্ধি ভালপাওঁ বুলি ক'বলৈ পৰাটো অসমীয়াৰ বাবে গৌৰৱৰ কথাহে। আজি এই কৰ্মব্যস্ততাৰ মাজত, ৰাজহাঁড় পোনাবলৈ সময় নোপোৱা যুগত যদি বছৰটোৰ ঋতুকালীন এই উৎসৱসমূহৰ সময়ত আমি যদি নিজৰ সংস্কৃতিটোক মনত নেপেলাও তেন্তে কোনে কেতিয়া মনত পেলাব ? আনৰ সংস্কৃতি গ্ৰহণ কৰিবলৈ গৈ নিজৰ সংস্কৃতি আপোন হাততেই প্ৰবঞ্চিত হ'ব। আমাৰ ৰাজ্যৰ পৰাও যাতে আমাৰ বাপতি সাহোন স্বৰূপ বিহু নামৰ সংস্কৃতিটো লুপ্ত নহয় তাৰ বাবে সচেতন হ'ব লাগিব নতুন প্ৰজন্ময়। তেওঁলোকৰ জৰিয়তেহে অসমীয়া সংস্কৃতিৰ বিশাল বৰঘৰটোক বিশ্বৰ দৰবাৰত পৰিচয় কৰাই দিবই লাগিব।

# বহাগ বিহু আৰু অসমীয়া সমাজত ঢেঁকীশাল, ভঁড়াল, ৰান্ধনীশালৰ এক চমু অৱলোকন

মৃগাংক বৰুৱা
বনগাঁও(কছাৰীহাট)

"ক'লা চোলাই নুশুৱাই তোক
ঐ সাদৰী
বগা চোলাই নুশুৱাই তোক
ৰংপুৰ জিলাতে আছে ৰঙা
চোলা
আনি দিম শুৱাব তোক"
ভেবেলী লতা ফুলোৱা

বহাগ ঘূৰি ঘূৰি আহে, চ'তৰ উদণ্ডীয়া বতাহে অসমীয়াৰ মন ৰঙাই তোলে বহাগৰ বিহুত। অসমীয়া সংস্কৃতিৰ প্ৰতীক বিহু। কৃষিক কেন্দ্ৰ কৰি অসমীয়া জাতীয় কৃষ্টিয়ে যি স্বকীয় ৰূপ ললে তাৰ ইতিহাস যেন বৰলুইতৰ পাৰে পাৰে জিলিকি আছে। আদিম জনসমাজে জীৱন অৱলম্বনক কেন্দ্ৰ কৰিয়ে লোক উৎসৱ বোৰ উদযাপন কৰিছিল। সেয়ে কৃষিভিত্তিক জীৱন ধাৰাৰে পালন হৈ অহা লোক- বিশ্বাস, লোকাচাৰ, ৰীতি-নীতি, আধ্যাত্মিক কিছুমান ধ্যান ধাৰণা তথা পৰম্পৰাৰে বহাগ বিহু লোক সংস্কৃতিৰ স্বকীয় বৈশিষ্ট্যৰে স্বয়ং সম্পূৰ্ণ। বিহুত পালন কৰা বিভিন্ন অনুষ্ঠান, ক্ৰিয়া-কৰ্ম আদিৰ মাজত অসমীয়া জনজীৱনৰ এখন সুন্দৰ ছবি পৰিস্ফুট হয়। পিছে কালক্ৰমত এই বিহুলৈ পৰিৱৰ্তন আহিল। সেয়ে এসময়ৰ গছ তলৰ বিহু মঞ্চ পোৱাৰ লগতে অনান্য পৰিৱৰ্তনো হ'ল। কালক্ৰমত স্বাভাৱিকতে ইয়াৰ পৰিৱৰ্তন অৱশ্যম্ভাৱী বুলি ধৰি ল'ব লাগিব। উল্লেখ্য যে আদিম সংস্কৃতিৰ বুকুত জন্ম হোৱা বিহু নানা পৰিৱৰ্তন আৰু পৰিৱৰ্ধনৰ মাজেৰে আজিৰ ৰূপ পাইছেহি। এনেকৈয়ে বিহু পালন কৰি থাকোতেই অষ্টাদশ শতিকাৰ আগভাগত স্বৰ্গদেউ ৰুদ্ৰসিংহই ৰংপুৰৰ ৰংঘৰৰ বাকৰিলৈ বিহুক আদৰি আনিলে। বিহুৰে ৰাজকীয় স্বীকৃতি লাভ কৰিলে।

বহাগ বিহু বুলি ক'লেই অসমীয়া সমাজত সজীৱ হৈ থকা কেইবিধমান সম্পদৰ কথা মনলৈ আহে। সেইকেইটা হ'ল- ভঁড়াল, ঢেঁকীশাল, ৰান্ধনিশাল। এটা কথা আমি মন কৰিবলগীয়া যে এই সম্পদকেইবিধৰ পুৰামাত্ৰাই ব্যৱহাৰ হ'ব অথবা জীয়াই থাকিব তেতিয়া, যেতিয়া আমাৰ কৃষি পথাৰসমূহ শস্যৰে তৰুণ হৈ থাকিব আৰু বিহুত আনন্দৰ জোঁৱাৰো তেতিয়াই উঠিব। সেয়ে... বিহু গীতত গায় -"তুমি কৰি যাবা ৰোৱনী-দাৱনী, মইনো বাই যাম হাল"। মুঠতে মাটি আৰু জীৱনক নিবিড় কৰি দিয়ে পথাৰে। আমাৰ লোক-সংস্কৃতিত বিহু, পথাৰ, ভড়ঁাল, ৰান্ধনিশাল, ঢেঁকীশালৰ লগত সাঙোৰ খাই থকা হাল, মৈ, গৰু, কঠীয়া, কাচি, কুলা, চালনী, ঢেঁকী, খুবলি, মৰণা, আখৈ, সান্দহ, চিৰা, পিঠাৰ উল্লেখ বিভিন্ন লোকগীত, লোকবিশ্বাসত মিহলি হৈ অসমীয়া সংস্কৃতিৰ নিভাজঁ পৰিচয়দাণ্ডি ধৰিছে।

চোতালৰ এমূৰে কেচাঁকৈ চাংঘৰ সাজি লোৱা অসমীয়া মানুহৰ ভড়াঁল গোসাঁই ঘৰৰ দৰে শ্ৰদ্ধাৰ, পবিত্ৰতাৰ প্ৰতীক। ধান কটা শেষ হ'লে তিনি গোছা ধান আগলি কলপাতত মান-সৎকাৰেৰে আনি ভড়াঁলত সুমুৱাই মাহ প্ৰসাদৰ নৈবেদ্য আগবঢ়াই চাকি-বন্তি দি 'লখিমী সুমুওৱা' অনুষ্ঠান পালন কৰা হয়। অসমীয়া সমাজত ভড়াঁলত কেতিয়াও বাহি গাৰে সোমাব নেপায় বুলি বিস্বাস আছে। আকৌ বৃহস্পতি বাৰে



ভৰাঁলৰ পৰা ধান নুলিয়ায়। বিহু - সংক্ৰান্তি, দীপান্বিতা, লক্ষীপূজা আদিত ভৰাঁল মচি-কাচি, চাকি-বন্তি দিয়া নিয়ম পালন কৰা হয়। গাৱঁৰ মানুহে ভৰাঁল এটি সাধাৰণতে বাহঁ-কাঠেৰে নিৰ্মান কৰে যদিও আজিকালি কোনো কোনোৱে পকীকৈয়ো ভড়াঁল বনাই ল'বলৈ ললে। ভৰাঁলৰ গাধৈ খনো গৃহস্থই ঘৰুৱা প্ৰয়োজনীয় বস্তু কিছুমান থোৱাৰ স্থান হিচাবে লয়।

ঢেঁকীশাল বুলিলে একোখন খেৰৰ চালিৰে সৈতে পূৰণি দিনৰ গাওঁ সমূহলৈ মনত পেলাই দিয়ে অথবা তেতিয়া পিৰালিতে ঢেঁকী পতা হৈছিল । খৰাহি, পাচি, কুলা, চালনী, বাঢ়নী মাৰীৰে ঢেঁকীশাল শুৱনী হৈ থাকে । অসমীয়া মানুহে ভৰ দুপৰীয়া, মুনি-চুনি বেলিকা ঢেঁকী নামাৰে । কুলাৰ বুকুত চালনী, খুবলিৰ বুকুত থোৱা ঢেঁকীৰ লগত বাঢ়নী মাৰি থ'ব লাগে বুলি প্ৰচলিত নিয়ম । পূৰ্বৰ এখন ঘৰৰ ৰান্ধনিশালখন গোঁসাই ঘৰৰ পবিত্ৰতাৰে ভৰা । বহু বছৰৰ আগৰ প্ৰতিঘৰ গাৱঁৰ অসমীয়া মানুহৰ ৰান্ধনিঘৰৰ মজীয়া কেঁচাকৈ ৰখাৰ নিয়ম

*(দহ পৃষ্ঠাত চাওক)*

## ৰঙালীৰ ৰং

-নিতিষ্মান দাস
সপ্তম শ্ৰেণী




হেৰৌ মোৰ অসমবাসী, বহাগ বিহু
আহিছে,
ঢোল বজোৱাৰ সময় হৈছে।
নাচনী আই সকল নাচিবা, উলাহিত কৰিবা
মন,
বিহু নাচৰ কৰিছানে অনুশীলন।
এই বিহুয়ে অসমীয়া জাতীক প্ৰতিনিধিত্ব
কৰে,
ৰং মনেৰে উলাহিত কৰি দুখবোৰ হৰে।
শিপিনী সকল লগাইছানে তাঁতত বিহুৱান,
বিহুৱানখনিয়ে অসমী আইৰ প্ৰাণ আৰু
মান।
আই সকল খুন্দিছানে ঢেঁকীত পিঠাগুৰি,
খাম আমি পিঠা একেলগে মিলি।
জেতুকা পাত লগোৱাৰ সময় হৈছে,
গছত নাচনীৰ অলংকাৰ, কপৌ ফুল
ফুলিছে।
অসমত উঠিছে চাৰিওফালে ঢোলৰ ধ্বনি,
কাৰণ এই বিহু, হয় ৰঙালী।
পাইছানে বেঙেনা আৰু হালধি,
ধুৱাবলে গৰুক মাহ হালধি সানি।
বিহু অৰণ্যৰ পৰা মঞ্চত পাইছে,
অতীত কালত অৰণ্যত পাতিছিলে।
জ্যেষ্ঠজনক পৰা আশীৰ্বাদ লবা,
নাম, কীৰ্তন আদিৰে ঈশ্বৰক স্মৰণ কৰিবা।
ঘৰে ঘৰে পাক মাৰিবা গাই হুঁচৰি,
উলাহিত হৈ উদযাপন কৰিবা বিহু ৰঙালী।
অসম দেশত আৰু কেতিয়া জন্ম পাম,
অসমী আইৰ হকে আৰু কেতিয়া গুণ গান
গাম।
হে ঈশ্বৰ! এই বিহুক কৰিবা চিৰযুগমীয়া,
সুখ শান্তিৰে ধৰাখনি কৰিবা বিনন্দীয়া।

## চ'তৰ বতৰা

জয়ন্ত শৰ্মা



ফাগুনে চ'তক ক'লে বহাগক আনাগৈ বুলি,
শীতৰ নিয়ৰো শেষ, শেষ হ'ল মাঘৰ ভাগৰ,
পলাশেও ৰঙা হৈ কানে কানে ক'লে—
চিপচিপ বৰষুণ, মাৰগ'ল ফাগুনৰ ধুলি ।
শিপিনীৰ তত নাই চ'তৰ মাহত
জাতিৰ চিনাকি মাথো তাঁতৰ শালত।
ঢোল, তাল, পেঁপা বাজে, বনত কুলিয়ে মাতে
ৰাতি ৰাতি কেতেকীৰ কৰুণ বিননি
চ'তৰ দোমাহী আহি নিচেই কাষত
জাতিটোক দিলেহি জাননী ।
ফাগুনৰ কথা শুনি চ'তে ক'লে ভাৱিগুনি
বহাগ আহিব মাথো গৰকাৰ মাত শুনি,
' আশী সূতাৰ মহুৰা, কেতেকীৰ মাকো
দীঘত বাণীৰ সূতায়েই চ'ত বহাগৰ সাঁকো'।
বহাগে জনালে মোক দোমাহীতে পণ ল'ব বুলি,
শালেকটা বিহুৱানে আঁতি আঁতি পাগ মাৰি
কৰিব নতুন দিন ৰঙেৰে ৰঙালী
কঁকালত বান্ধি লৈ ফুলাম টঙালি -

# বহাগ বিহু আৰু

কাৰণ বেলেগ পাগত খোৱা আলহী, ভকত আহিলে পাকঘৰৰ এচুকত টৌ খুঁটি মাৰিবলৈ সহজ। জুইশাল বা জুহাল হয় ভাত খোৱা মজিয়াৰ একাষতে পতা হয় বা তাৰ বাবে আছুতীয়াকৈ কোঠা এটা থাকে। পুব অথবা উত্তৰ মুৱাকৈ সাজি লোৱা মাটিৰ দুটা চৌকা অসমীয়া ৰান্ধনিঘৰৰ এক সুকীয়া পৰিচয় আছে । পূৰণি দিনৰ ৰান্ধনিশালত থাকে বাহেঁৰে সজা এখন পানীচাং, ইয়াত থয় টেকেলী, কলহ, মলাত পিঠাগুড়ি, সান্দহ আদি। এই ৰান্ধনিশাল বিলাকৰ মজিয়াৰ বেৰত ওলমি আছিল তেলৰ বটল, পিঠাগুড়ি চলা ডলা-চালনী, দাঁত খৰকিয়াবলৈ খৰকি থোৱা চুঙা আৰু মজিয়াৰ বেৰৰ মাটিত আঁউজাই থোৱা থাকে সৰু-বৰ ভাগে ভাগে পীৰা। অতীজৰ ৰান্ধনিশালৰ ধোৱাঁ চাঙৰ গুৰুত্বতাও খুব বেছিআছিল। বিহু আহিলেই এগৰাকী গৃহিনীৰ জুহালৰ জুই নুনুমাই। দিনে ৰাতিয়েই পিঠা বনোৱা কামত ব্যস্ত থাকে অসমীয়া ছোৱালী-বোৱাৰী। এতিয়া কথা হ'ল আমাৰ পুৰণি দিনৰ পৰম্পৰা তথা পুৰণি সম্পদসমূহৰ কথা জানিবলৈ নতুন প্ৰজন্মই চেষ্টা কৰিব লাগিব । তেওঁলোকে বুজিব লাগিব বিহু তথা আমাৰ পৰম্পৰাগত সম্পদসমূহ অসমীয়া জাতিৰ সাংস্কৃতিক আৰু আৰ্থ-সামাজিক জীৱনৰ প্ৰতিচ্ছবি। আনক অনুকৰণ কৰিবলৈ গৈ আমি আমাৰ কলা-সংস্কৃতিক বিসৰ্জন দিছোঁনিকি অতি সজাগ হৈ আত্মবিশ্লেষণ কৰিব লাগিব । এইটো ঠিক যে আমাৰ বাপতিসাহোন বিহুত পৰিৱৰ্তন আহিছে। আধুনিকতাই তাত কিছু ৰহন লগাইছে আৰু কিছু বাদ পৰিছে। সেয়ে আমাৰ শ্ৰদ্ধাৰ ভূপেন হাজৰিকাদেৱে কোৱাৰ দৰে ' কিছু ল'ব লাগে আৰু কিছু দিব লাগে' কথাটোত গুৰুত্ব দি আমি আগুৱাই গৈ আমাৰ বিহুক নতুন পথত বিশ্বদৰবাৰত তুলি ধৰিব লাগে। এই দায়িত্ব আমি প্ৰতিজন অসমীয়াই ল'ব লাগিব। তেতিয়াহে আমাৰ বিহু আধুনিকতাৰ মাজেৰে গৈ নিজা এক বৈশিষ্ঠৰে জিলিকি থাকিব।

**( প্ৰসংগ পুথিঃ 'অসম লোক সংস্কৃতি- নিৰ্মলপ্ৰভা বৰদলৈ')**

# শৈশৱৰ ৰঙালী বিহু

জেগা-জমিনও বেছি নালাগে। কোনোবাই চাইছে বা নেচাইছে তাৰো খেয়াল নাই তেওঁলোকৰ। এইয়া কোমল মনৰ পাৰভঙা আনন্দ। আজিৰ দৰে মুদ্ৰাসৰ্বস্ব প্ৰতিযোগিতা নহয়। বিহুগীত গাই, নাচি-বাগি, গৃহস্থক আশীৰ্বাদ কৰে তেওঁলোকে। গৰুবিহুৰ দিনা সেই কণমানিহঁতৰ, ব্যাকৰণ বিহীন স্বত:স্ফূৰ্ত বিহুনাচক বাদ দি কল্পনাই কৰিব নোৱাৰি বহাগৰ বিহু। মাক বা বায়েকৰ মেখেলাখন ফ্ৰগ্ চোলাটোৰ ওপৰতে কঁকালত বঁচী বান্ধি কনমানিজনীক পিন্ধাই, মেৰিয়াই মেৰিয়াই চাদৰ এখন ককালত খুঁচি দিলেই কনমানি নাচনিৰ উলাহত তৰনি নাইকীয়া হয়। বিটু, যদু, মন্টুহঁতে হাতে হাতে একোটা বাঁহৰ টকা, পালে খুঁটিতাল এজোৰ নাপালেও নাই। নামতী নাজিতৰাই জুৰিবই -'অতিকৈ চেনেহৰ মুগাৰে মহুৱা----', শেষ হয় কি নহয়, টুনুমাইয়ে লগাবই বিহুনাম, -"অ'সৰু ফুল ফুল ফুলি আছে----মনত বেজাৰ লাগে।' গৃহস্থৰ পদুলিৰ কপৌ, তগৰ ফুল দেখি ভেবা লগা পুতলীয়ে পাহৰে নাম গাবলৈ। বকুলে বাঁহৰ টকাটোৰে তাইক ঠেলা মাৰি চকু পকাই কয়, -'নেগাঅ কেলে এইজনী!" ঘৰত মুখস্থ কৰাবোৰ গৃহস্থৰ চোতালত পাহৰি যায়, যাওঁক, তাতেনো কি আহে যায়! যদুৱে লগাই দিবই নহয়--'অ'ক'লা চিয়াহী! দক্ষিণা দিলে দিয়াহি! যদি দক্ষিণা নিদিয়া! আমাক বিদায় দিয়াহি।' দেখি ভাল লগা এই দেৱশিশুৰ হুঁচৰিক অনিচ্ছা স্বত্তেও গৃহস্থই বিদায় নিদি নোৱাৰে। দক্ষিণা কি দিলে, কিমান দিলে দৰকাৰ নাই। ইফালে মিণ্টুৱে আশীৰ্বাদ আৰম্ভ কৰিলেই -'কুশল কৰক কল্যাণ কৰক আয়ুসত বিঘিনি শূন্য কৰি এই দৰে আগলৈকে দিব-থ'বলে ঈশ্বৰে শক্তি বিধান কৰক।' সৰহ তাকৰৰ খেয়াল নাই, স্বাৰ্থ নাই, ধনী-দুখীয়াৰ প্ৰাৰ্থক্য নাই, যাক ক'ব পাৰি অময়া ভকত। ধন-ভড়ালী কিন্তু বৰ সাৰধান। বাউসীত ওলোমাই লোৱা কাপোৰৰ সৰু মোনাটোত ভৰাই লোৱা পইচাখিনি যাতে পুৰা হিচাবমতে ৰাখিব পাৰে। হুঁচৰিৰ শেষত খুৰাকে হিচাবমতে সকলোকে ভগাই দিব। বৰ আগ্ৰহেৰে বাট চায় সেই দিনটোলৈ কিয়নো সেইয়া প্ৰথম উপাৰ্জন তেওঁলোকৰ বাবে। চিলথ, পেঞ্চিল, বহী-কাগজ কিনিব পাৰিব। এইয়া আছিল গ্ৰাম্যাঞ্চলৰ ৰঙালীৰ শৈশৱ। তাহানি গৰুবিহুৰ আগদিনা গাঁৱৰ ল'ৰা-ছোৱালীৰ গাত তৰনি নাথাকে। বাৰীৰ জেতুকা কেইজোপা তেনেই তহিলং কৰে। পটাত মাকে বা বায়েকে জেতুকা পিচি দিওঁতে সেইসকলৰো হাত ৰাঙলী হয়। 'ল'ৰা হুঁচৰিয়ে চুবুৰীলৈ মিলা-প্ৰীতি আনে। হুঁচৰিৰ লগে লগে থুনুক্-থানাক্ কৈ খোঁজ কাঢ়ি মণ্টুৰ দুবছৰীয়া ভনীয়েকজনী বৰদেউতাকৰ চোতাল পায়গৈ। ইফালে বাৰীৰ সীমা লৈ দুয়ো ককাই-ভাইৰ থৈয়া-নথৈয়া কাঁজিয়া। 'চৌদহৰ ভিতৰত পালে ঠেং কাটি দিম'- বোলা বৰমাকে কনমানিজনীক কোঁচলৈ তুলি লৈ হুঁচৰি গোৱা ল'ৰা-ছোৱালীৰ লগতে কাঁহৰ বাতিটোত গাখীৰ-পানী অকন খুৱাই। মণ্টুৰ মাকে ছোৱালী জনীক ল'ৰালৰিকৈ আনিবলৈ গৈ বৰমাকৰ কোলাৰ পৰা নিজৰ কোলালৈ লওঁতে নমতা মানুহৰ চকুত চকু পৰি লাজে মৰমে বোৱা হাঁহি একোটাই দুয়োজনী জা-জোৱালীৰ বুকুত ঠেলা মাৰি, ওঁঠেদি বাহিৰ হৈ আহিবলৈ অসুবিধা পাই চকুতে লাগি ৰয়। দুয়োজনী নতুনাই আগতকৈও আপোন হৈ পৰে।

"--হ'ব দে, মতাবোৰে কি লাগে লাগি থক। আমিয়েই মাতি-বুলি থাকিম-" বুলি কৈ কেচুঁৰাটো চমজাই দি গুচি যোৱা বৰমাকে গধুলি বিহুভাত খাবলৈ আনি থোৱা মাছ দুটুকুৰামান বৰদেউতাকে গম নোপোৱাকৈ দিয়েইনহয়। সঁচাই "--ক'ত পাম এনে প্ৰীতি সৰল প্ৰাণৰ ভাষা ---।" 'ল'ৰা-হুঁচৰি'-বুলি কোৱা এই হুঁচৰি জোৱা আহিলেহে হেনো বহাগৰ চোতালখন পবিত্ৰ হয়, গৃহস্থৰো বছৰটোলৈ কুশল হয়। বিহুৱে সংক্ৰান্তিয়ে এনেকৈ শিশুৰে চুবুৰীক মিলা-প্ৰীতিৰ জৰীৰে বান্ধে।চোতালৰ পৰা, মুকলি পথাৰৰ পৰা বিহু নতুন ৰূপত বিশ্বদৰবাৰলৈ গৈছে যাওক। কিন্তু আমাৰ ইচ্ছা স্বকীয়তা নেহেৰুৱাকৈ বিহু বিহু হৈয়ে যাওক। আমাৰ উঠিঅহা ল'ৰা-ছোৱালীৰে হুঁচৰি গাওক, মনখুলি আনন্দ কৰি ঐক্য-সম্প্ৰীতিৰ আদিপাঠ শিকক। মহামাৰীৰ বাবে যোৱা দুবছৰে গৰুবিহুৰ চোতালখন উদং হৈ থাকিল।ভগৱানক প্ৰাৰ্থনা কৰিছোঁ- অপায়-অমঙ্গল আঁতৰি যাওক। নৱ-বৰ্ষৰ পুৱা আকৌ আহি দেৱশিশুহঁতে গৃহস্থৰ চোতালত হুঁচৰি জোৰকহি- "দেউতা অ'--এশ এবিধ শাকেৰে ৰান্ধো! গৰু বিহুৰ দিনাখন গৰু গা-ধুৱাই লৈ তৰালিৰ পঘাৰে বান্ধো।"

# প্ৰাণৰ বহাগ

অৰুণা গোস্বামী, তিতাবৰ



চোতাল পালেহি আহি প্ৰাণৰ বহাগ,
ৰঙালীক আদৰাৰ নতুন উছাহ।
বসন্তৰ পৰশত প্ৰকৃতিয়ে সলালে বৰণ,
সেউজীয়া হ'ল গছ-বন,
আনন্দত নাচি উঠে মন।
কুলি, কেতেকীয়ে আহি জুৰিলেহি গীত,
শুৱলা গীতত শাঁত পৰে মন-চিত।
কপৌ ফুলিল আৰু নাহৰ, তগৰ,
ঢুলীয়াই ঢোলত তুলিলে ৰগৰ।
ঢোলৰ ছেৱত আহি নাচনী নাচিলে,
সকলোৱে মিলি বিহু গীতকে জুৰিলে।
পিঠা-পনা, জলপান কৰিলে যোগাৰ,
সকলোৰে আয়োজন এসাঁজ খোৱাৰ।
বহাগ আহিল বুলি কত আয়োজন,
নতুনক আদৰাৰ সাজোন-কাচোন।

# স্বাক্ষৰতা বহনকাৰী

আকৌ এই বিহুগীত বোৰৰ জৰিয়তেই আমি আমাৰ আহোমসকলৰ বিষয়েও জানিব পাৰো।আমাৰ বাপতিসাহোন বিহুৰ ক্ষেত্ৰত আহোমসকলৰ অৱদান যথেষ্ট। আকৌ আহোম স্বৰ্গদেউ সকলৰ হাৰত বন গজাৰ পিছতো তেওঁলোকে পিন্ধা কাপোৰৰ বৰ্ণনা এই বিহুগীততেই পোৱা যায়। "লাহে লাহে ঐ বিহু কোনে ঢালে আহে?
পূবে পশ্চিমে উত্তৰে দক্ষিণে
বিহু কোনে ঢালে আহে?
মান দেশত আছিলে মানতৰা এযুৰি
আছিলে নৰিয়াত পৰি,
যেতিয়া শুনিলে বিহুৰে বতৰা আহিলে কাছুটি ধৰি।" ইয়াৰ পৰাই জানিব পাৰি যে বিহু মান দেশৰ পৰা আহোমসকলৰ লগতে আহিছিল বুলি। আকৌ আন কিছুমান বিহুগীতত পোৱা যায় আমাৰ মৰমৰ ঢোল টোৰ কথা। ঢোলতো যে আহোমসকলে আনিছিল তাৰো প্ৰমান আমাৰ লোকগীত সমূহত পোৱা যায়।সাহিত্যৰ ফালৰপৰা চাবলৈ গ'লে আহোম ভাষাৰ সাহিত্যৰ বাক্য যিদৰে চুটি চুটি। সেইদৰে আমাৰ পুৰণি বিহুগীত বোৰও চুটি চুটি। এইদৰে লোকগীত সমূহৰ পৰা কেৱল বিহু বুলিয়েই নহয় আমাৰ অতীতৰ বহুখিনি তথ্যৰ স্বাক্ষৰ বহন কৰি আহিছে।

# ৰাজ্যজুৰি হিন্দী

নাথাকে তেনেহলে সাধাৰণ মানুহে স্বাভাৱিক প্ৰক্ৰিয়াতেই ভাষা শিকে যদিও জোৰকৈ জাপি দিব বিচাৰিলেই বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়, যাৰ ফলত বিভিন্ন ভাষা-ভাষীৰ মাজত থকা ঐক্য-সম্প্ৰীতি মাৰাত্মকভাৱে ক্ষতিগ্ৰস্ত হয়। তেওঁ আৰু কয়, শিক্ষাৰ ক্ষেত্ৰত আধুনিক উন্নত জ্ঞান চৰ্চাৰ বাবে মাতৃভাষাৰ লগত আৰম্ভণিৰে পৰাই ইংৰাজী শিক্ষাৰ প্ৰয়োজনীতা আজি কোনেও অস্বীকাৰ কৰিব নোৱাৰে আৰু শিক্ষা ক্ষেত্ৰত দেশৰ ভাষাবিদ, শিক্ষাবিদ, বুদ্ধিজীৱী সহ সৰ্বজনগ্ৰাহ্য দ্বি-ভাষা নীতিয়েই বিজ্ঞানসন্মত। কেন্দ্ৰীয় চৰকাৰে এই বিজ্ঞানসন্মত নীতিৰ পৰিৱৰ্তন ঘটাই হিন্দী ভাষা বাধ্যতামূলক কৰাৰ আঁৰত তেওঁলোকৰ 'হিন্দু-হিন্দী-হিন্দুস্তান'ৰ বিভাজনবাদী নীতিয়ে কাম কৰি আছে। তেওঁ এই জনবিৰোধী সিদ্ধান্ত প্ৰত্যাহাৰ কৰাৰ বাবে দাবী জনোৱাৰ লগতে ইয়াৰ বিৰুদ্ধে সোচ্চাৰ হোৱাৰ বাবে সাধাৰণ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

# ENGLISH NEWS SECTION

## SITA Co-Vice Chairman Ramen Deka expresses grief of the present condition of Bigyan Mandir



Guwahati, RB News: Hon'ble Co-Vice Chairman Ramen Deka visited Bigyan Mandir of Sonapur along with the officials of Secondary Education department to inspect the condition of the Bigyan Mandir. On seeing the dilapidated condition of the Bigyan Mandir, Sonapur, he expresses his grief and request the concern officials to take necessary steps to revive them immediately. He emphasized and request the concern officials present to take necessary steps to preserve the prestigious institution like Bigyan Mandir and also to make the campus encroachment free and to make proper demarcation of the area. It needs to be mentioned that prior to the visit, in March last month, a meeting was held at the office of the State Innovation and Transformation Aayog (SITA) Co- Vice Chairman Ramen Deka along with officials of the Secondary Education to take first hand information of the condition of Bigyan Mandir of the state and this joint visit was decided in the meeting. In the said meeting Smt Mamata Hojai, Director of Secondary Education apprised the meeting that in the current financial year some of rupees 2.5 crores has been earmarked for the revival of Bigyan Mandir. She said that once the institution is revived, steps will be taken to create some post like scientific Officer and other subsidiary staffs. Hon'ble Co-Vice Chairman asked the department to look into the matter to complete the construction work with the allotted amount so that the institute may be revived and also mention that SITA can also provide logistic support by setting up of Robotics/ Drone Club among the students. He also offers his views and said that the institute should be made in such a way that urban students would also become interested to come and study. In the site visit, the Hon'ble Co-Vice Chairman was accompanied by Smt. Barbie Hazarika, OSD, Secondary Education Department, Sri Gopal Sharma, Circle Officer, Sonapur Revenue Circle, D.S Hazari, ARO,Sita and other officials of SITA.

## Meeting of ICSI Delegates with Chief Minister of Assam



Guwahati, RB News: A Team of Delegates led by CS Devendra Vasant Deshpande, Hon'ble President, The Institute of Company Secretaries of India with CS Sandip Kumar Kejriwal, Central Council Member, ICSI; CS Biman Debnath, Member, EIRC of ICSI; CS Pradeep Sharma, Chairman, North Eastern Chapter of EIRC of ICSI; CS Nikhil Jain Gangwal, Vice-Chairman and Secretary, NE Chapter; CS Raj Kumar Sharma, Past Chairman, NE Chapter; CS Bishal Harlalka, Past Chairman, NE Chapter met the Hon'ble Chief Minister of Assam Dr. Himanta Biswa Sarma in his Office on 10th April 2022. The Meeting discussed the matters like Employment opportunity of Company Secretaries in State PSUs; Presenting Model Governance Code for Meetings of Gram Panchayat; Career Awareness Programmes on Company Secretary Course and Company Secretary Profession in all Educational Institutes of the State; Opening of ICSI Study Centers in various Colleges & Universities of the State; Academic Collaboration with the Universities of the State; and many more. The Meeting was very successful and the Hon'ble Chief Minister extended positive response to the proposal of ICSI.

## Assam Governor Prof. Jagdish Mukhi attends the valedictory session of 8th CPA India Region Conference



Guwahati, RB News:"Considering youth power to make our democracy stronger, the number and potential of youth in the demographic set up must be a driving force and CPA India Region should use this force to reap the dividends of democracy", said Assam Governor Prof.Jagdish Mukhi while attending the valedictory session of the 8th Commonwealth Parliamentary Association, India Region Conference held in Guwahati. While speaking on the occasion, the Governor said that in India, lot of emphasis is entrusted on youth power to make the democracy stronger and said that the number and potential of youth in the demographic set up must be increasingly used as the driving force. He also said that CPA India Region should create an enabling environment to involve more and more youth to take active part in the democratic process. He said, "It is a proud feeling that Assam Legislative Assembly is one of the oldest Assemblies of India where legendary figures, like Bharat Ratna, Lokopriya Gopinath Bordoloi and Bharat Ratna, Dr. Bhupen Hazarika once represented the people". The Governor also highlighted that during the last 85 years, Assam Legislative Assembly witnessed many historic debates and passing of several important legislations to bring about transformative changes in the lives of the people of the State. He also said that India is a flourishing and vibrant democracy and is celebrating the 75 years of independence as 'Azadi ka Amrit Mahotsav'. Participation of institutions and people across the country in Azadi Ka Amrit Mahotsav is indeed a testimony of sound and participatory democracy in India. Prof.Mukhi also said that the State Assemblies are the platforms to discuss the hopes and aspirations of the people and to guide the Government. Being the corner-stone of the federal structure of the country, the Assemblies are strengthening the federal and democratic edifice of the country. He also underlined the role of the presiding officer in a Parliamentary System, who holds the most important position. Within the four walls of the House, his authority is supreme. The institution of the Speaker or Presiding officer dates back to 1921 when the Central Legislative Assembly was constituted for the first time in India under the Montagu-Chelmsford Reforms and has already witnessed 100 years of glorious existence of Presiding Officers. The Governor also urged the members to lend their cooperation to strengthen the foundation of democracy and spread it to everywhere. "Our country is based on the robust foundations of democracy and it is one of the most vibrant running democracies in the world. It is time that CPA India Region takes the nation to a brighter future for the next generations. It should also contribute to set the road to reach the world to understand, to make relationships with the world. Let us contribute to international peace through mutual understanding and dialogues."

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

৩ বহাগ, ১৪২৭ চন  Rongili Barta, Date of Publication-- 17 Apri , 2022

## Beauty of the Week



GITISHMITA BORAH

ৰঙালী বিহুৰ শুভেচ্ছাৰে...

DATAMATION
SERVICES




উত্তৰ-পূৰ্বৰ একমাত্ৰ নিৰ্ভৰযোগ্য
কম্পিউটাৰ,প্ৰিন্টাৰ আৰু ইলেকট্ৰনিকচ
সামগ্ৰী আদিৰ প্ৰতিষ্ঠান
গুৱাহাটীঃ অসম

ফোন - ৯১২৭০১৫৮২০, ৯৫৭৭৮২৯২৫৪




## Art of the Week



Manash rajbonshi

Beauty of the Week  Art of the Week
আৰু · Photography of the Week লৈ
আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286

## Photography of the Week



Biki moni deka

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি  মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি  সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী  সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi  Ph. 99570-45203  EDITOR-IN-CHIEF :-  UDDIPTA NAYAN MEDHI  Ph.98542-15286